




সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ১৪ ফেব্ৰুৱাৰী, ২০২৫/১ ফাগুন ১৯৪৩ শক ● দাম ২.০০ টকা ● ত্ৰয়োদশ বছৰ ● সংখ্যা - ৪৩ ● Vol - 13, Issue - 43


# মুম্বাইত কেইবাগৰাকীও উদ্যোগপতিক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ

## এডভাণ্টেজ আছাম ২.০'লৈ জে এছ ডব্লিউ গ্ৰুপৰ অধ্যক্ষ সজ্জন জিন্দাল, ৰেলস্পন ৱৰ্ল্ডৰ অধ্যক্ষ বি কে গোয়েঙ্কা আৰু এছাৰ গ্ৰুপৰ উপাধ্যক্ষ ৰবি ৰুইয়াক মুখ্যমন্ত্ৰীৰ আমন্ত্ৰণ







**দিছপুৰ ঃ** আগশাৰীৰ উদ্যোগপতি আৰু বিনিয়োগকাৰীৰ অংশগ্ৰহণেৰে আগন্তুক 'এডভাণ্টেজ আছাম ২.০' শীৰ্ষক বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন সাফল্যমণ্ডিত কৰি তোলাৰ প্ৰয়াসৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুম্বাইত জে এছ ডব্লিউ গ্ৰুপৰ অধ্যক্ষ সজ্জন জিন্দালক সাক্ষাৎ কৰি অসমত এটা পষেকৰ পিছতে অনুষ্ঠিত হ'বলগীয়া এই সন্মিলনলৈ আমন্ত্ৰণ জনায়। এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে জে এছ ডব্লিউ গ্ৰুপৰ অধ্যক্ষগৰাকীৰ সৈতে আন্তঃগাঁথনি আৰু শক্তিখণ্ডত ৰাজ্য চৰকাৰৰ সৈতে প্ৰতিষ্ঠানটোৰ অংশীদাৰিত্বৰ সম্ভাৱনীয়তা সন্দৰ্ভত বাৰ্তালাপ কৰে। জে এছ ডব্লিউ গ্ৰুপৰ অধ্যক্ষগৰাকীক মুখ্যমন্ত্ৰীয়ে অসমত বিনিয়োগক উৎসাহিত কৰাৰ অৰ্থে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ কথা অৱগত কৰে। তেওঁ কয় যে ৰাজ্যখনত এক ষ্টাৰ্ট আপ পৰিৱেশতন্ত্ৰ গঢ় দিয়াৰ দিশত ৰাজ্য চৰকাৰে ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰে শেহতীয়াকৈ অসম ষ্টাৰ্ট আপ আৰু উদ্ভাৱন নীতিত অনুমোদন জনাইছে বুলি উল্লেখ কৰি *১০ পৃষ্ঠাত*

# বৰপেটাৰ নসত্ৰস্থিত কৃষ্ণগুৰু সেৱাশ্ৰমত উপস্থিত মুখ্যমন্ত্ৰী

## কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্তনত অংশগ্ৰহণ




**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বৰপেটা জিলাৰ নসত্ৰস্থিত কৃষ্ণগুৰু সেৱাশ্ৰমত উপস্থিত হৈ কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্তনত অংশগ্ৰহণ কৰে। বাৰ দিনীয়া কাৰ্যসূচীৰে যোৱা ৩১ জানুৱাৰীৰ পৰা আৰম্ভ হোৱা এই কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্তনত বহু ভকত-সজ্জন, আই-মাতৃ উপস্থিত থাকে। উল্লেখ্য যে আজিৰে পৰা প্ৰায় চাৰে তিনিদশক পূৰ্বে কৃষ্ণগুৰু প্ৰভু ঈশ্বৰে বিশ্ব শান্তিৰ বাবে এমহীয়া কীৰ্তনৰ আৰম্ভ কৰি মানৱ জাতিৰ কল্যাণৰ বাবে নিজৰ দায়বদ্ধতাৰ নিদৰ্শন দেখুৱাই গৈছে। কৃষ্ণগুৰু সেৱা শ্ৰমৰ কীৰ্তনে অসমৰ ভক্তি আন্দোলনক এক বিশেষ মাত্ৰা প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীয়ে অখণ্ড কীৰ্তনত অংশগ্ৰহণ কৰি ভকত-সজ্জনসকলৰ সৈতে ভক্তিভৰা সেৱা আগবঢ়াই ৰাজ্যবাসীৰ কুশল-মঙ্গল কামনা কৰে। আনহাতে, মুখ্যমন্ত্ৰীয়ে সেৱাশ্ৰমত কৃষ্ণগুৰুৰ সৃষ্টিৰাজিৰো বুজ লয় আৰু গুৰুজনাৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। এই আধ্যাত্মিক অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাও উপস্থিত থাকে।

# ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থাৰমান ছানমুগাৰাটনামক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ

## ভাৰত-ছিংগাপুৰৰ সহযোগিতা আগবঢ়াই নিয়াৰ দিশত অসমৰ ভূমিকাৰ বিষয়ে আলোচনা

**দিছপুৰ ঃ** আগন্তুক 'এডভাণ্টেজ আছাম ২.০' শীৰ্ষক বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনখন আগশাৰীৰ উদ্যোগপতি আৰু বিনিয়োগকাৰীৰ অংশগ্ৰহণেৰে সাফল্যমণ্ডিত কৰি তোলাৰ প্ৰয়াসৰ অংশ হিচাপে সম্প্ৰতি ছিংগাপুৰ ভ্ৰমণৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাষ্ট্ৰখনৰ ৰাষ্ট্ৰপতি থাৰমান ছানমুগাৰাটনামক সাক্ষাৎ কৰে। ছিংগাপুৰৰ ৰাষ্ট্ৰপতিৰ সৈতে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ এই বৈঠকত অসমৰ সৈতে চলি থকা সহযোগিতামূলক প্ৰকল্পসমূহক সামৰি লোৱাৰ লগতে ভাৰত-ছিংগাপুৰৰ কৌশলগত সহযোগিতাৰ মূল স্তম্ভ হিচাপে অসমৰ ভূমিকাৰ দিশত বিশেষ গুৰুত্ব প্ৰদান কৰা হয়। উল্লেখ্য যে, ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থাৰমান *১০ পৃষ্ঠাত*




# পলাশবাৰী আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ ভৱন নিৰ্মাণৰ আধাৰশিলা স্থাপন মুখ্যমন্ত্ৰীৰ

**অভিজিত কলিতা, পলাশবাৰী ঃ** জালুকবাৰী সমষ্টিৰ আগছিয়াস্থিত পলাশবাৰী আঞ্চলিক উচ্চমাধ্যমিক বিদ্যালৰৰ ভৱন নিৰ্মানৰ আধাৰশিলা শুকুৰবাৰে স্থাপন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। আধাৰশিলা স্থাপন অনুষ্ঠানৰ পাছত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমক সম্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী শ্ৰী আঁচনিৰ তাৎপৰ্য আৰু ৰাজ্যৰ চৰকাৰী বিদ্যালয়সমূহত বিপ্লৱ আনিবলৈ ইয়াৰ সম্ভাৱনাৰ দিশত গুৰুত্ব প্ৰদান কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় - ৰাজ্যত ৫০০ খন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ক ৭-১০ কোটি টকাৰে নতুনকৈ নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। অসমৰ চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহত নৱজাগৰণ অনাৰ বাবে চৰকাৰে এই পদক্ষেপ লৈছে। গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰ কাম অহা ২ মাহৰ ভিতৰত আৰম্ভ হ'ব। ২ বছৰৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব গুৱাহাটী ৰিং ৰোড প্ৰকল্প। বিমানবন্দৰলৈও ৰিং ৰোডৰ পৰা এলিভেটেড ক'ৰিডৰ হ'ব। দক্ষিণপূব এচিয়াৰ



দুৱাৰমুখ হিচাপে গুৱাহাটীয়ে আন এক পৰিচয় লাভ কৰিব। অসমৰ প্ৰতিখন জিলাতে উত্তৰ-দক্ষিণ পাৰক সংযোগ কৰি ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ হ'ব দলং।

### মাজুলী মহাবিদ্যালয়ত বিদায় সম্বৰ্ধনা সভা

# ‘এগৰাকী আদৰ্শ শিক্ষাগুৰু সমাজ এখনৰ ধ্ৰুৱণী ’ঃ ড° দেৱজিৎ শইকীয়া



**বিকাশ শইকীয়া, মাজুলী ঃ** “এগৰাকী আদৰ্শ শিক্ষাগুৰু সমাজৰ ধ্ৰুৱণী। গুৰু-সান্নিধ্যৰ সুখস্মৃতি শিক্ষাৰ্থীয়ে মনৰ মাজত আজীৱন বহন কৰি লৈ ফুৰে। পথদ্ৰষ্টা গুৰুৰ নিৰ্দেশত শিক্ষাৰ্থীয়ে নৱ জীৱনৰ সোপান ৰচনা কৰে।”-এই বক্তব্য মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ। ৩৪ বছৰীয়া কৰ্মজীৱনৰ অন্তত অৱসৰ গ্ৰহণ কৰা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ জ্যেষ্ঠ অধ্যাপক অজয় প্ৰসাদ সিঙক বিদায় সম্ভাষণ জনোৱাৰ উদ্দেশ্যে মহাবিদ্যালয় কৰ্তৃপক্ষ, শিক্ষক গোট, কৰ্মচাৰী আৰু শিক্ষাৰ্থীসকলৰ উদ্যোগত পদ্মকান্তদেৱ গোস্বামী সভাকক্ষত আয়োজিত সভাত সভাপতিত্ব কৰে জ্যেষ্ঠ অধ্যাপক ড° ৰাজেন বৰাই। তুলসী ৰাজখোৱাই আঁত ধৰা সভাত অজয় প্ৰসাদ সিঙক মহাবিদ্যালয়ৰ তৰফৰ পৰা দৌল শৰাই, সম্বৰ্ধনা-পত্ৰ, চেলেং-গামোচা, মুখা, বেতৰ বিচনী, গ্ৰন্থৰ টোপোলা আদিৰে বিপুল সম্বৰ্ধনা জনোৱা হয়। সভাত বক্তব্য আগবঢ়াই অধ্যক্ষ ড° শইকীয়াই লগতে শিক্ষাৰ্থীসকলক পাঠদানৰ ক্ষেত্ৰত অজয় প্ৰসাদ সিঙে আগবঢ়োৱা কাৰ্পণ্যহীন নিঃস্বাৰ্থ সেৱাৰ বিষয়ে উল্লেখ কৰে আৰু আনুষ্ঠানিকভাৱে বিদায় গ্ৰহণ কৰিলেও মহাবিদ্যালয়ৰ উত্তৰণৰ ক্ষেত্ৰত আজীৱন অজয় প্ৰসাদ সিঙে সহযোগ কৰি যাব বুলি আশা প্ৰকাশ কৰে। নিজৰ বক্তব্যত অজয় প্ৰসাদ সিঙে সফলতাৰে কৰ্মজীৱন সমাপ্ত কৰিব পৰাৰ ক্ষেত্ৰত অধ্যক্ষকে প্ৰমুখ্য কৰি মহাবিদ্যালয় পৰিয়ালে আগবঢ়োৱা সহযোগিতাৰ বাবে বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰে। সভাত উপস্থিত থাকি মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষদ্বয় সৰ্বেশ্বৰ হাজৰিকা, নৰেন চন্দ্ৰ ঠাকুৰীয়া, অৱসৰী অধ্যাপক অমৃতেশ্বৰ চুতীয়া, প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অধ্যাপক ড° ব্ৰজেন চন্দ্ৰ নেওগ, বিপুল ৰাজখোৱা, সুৰেন চন্দ্ৰ দাস, অনন্যা বৰুৱা, গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাস, কৰ্মচাৰী গোটৰ সভাপতি পদ্মধৰ বৰুৱা আদিয়ে অজয় প্ৰসাদ সিঙৰ লগত অতিবাহিত কৰা স্মৃতি ৰোমন্থন কৰি আৱেগিক হৈ পৰে। সভাখনিত অজয় প্ৰসাদ সিঙৰ পত্নী নিভা কুমাৰী সিং, পুত্ৰদ্বয় ডাঃ অবিনাশ আনন্দ আৰু আদৰ্শ ৰাজ প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলেও বক্তব্য দাঙি ধৰে। সভাৰ অন্তত অধ্যাপিকা মায়াশ্ৰী ডেকা হাজৰিকাই সকলোকে শলাগ জ্ঞাপন কৰে।

# চলচলিত মহা বিষ্ণু যজ্ঞৰ ভূমি পূজন

### নগাঁও জিলা ব্ৰাহ্মণ সমাজৰ সাধাৰণ সভা সম্পন্ন



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ ব্ৰাহ্মণসকলক একত্ৰিত কৰি স্বজাতিৰ উন্নয়ন আৰু মংগল সাধনৰ লক্ষ্যৰে ১৯৭৩ চনত গঠিত নগাঁও জিলা ব্ৰাহ্মণ সমাজে ইতিমধ্যে স্বৰ্ণ জয়ন্তী বৰ্ষ অতিক্ৰম কৰিছে। জিলা ব্ৰাহ্মণ সমাজৰ পঞ্চাশ বছৰীয়া ইতিহাসত কেতবোৰ কাৰ্যসূচী ৰূপায়ণে অনুষ্ঠানটিৰ গৰিমা বৃদ্ধি কৰি আহিছে। সনাতন হিন্দু ধৰ্মৰ বৈদিক পৰম্পৰাৰ অংশ বিশেষ যজ্ঞানুষ্ঠানৰ মাহাত্ম্য আৰু গুৰুত্বক সাৰোগত কৰি প্ৰকৃতি আৰু জীৱকুলৰ মংগলাৰ্থে এক গম্ভীৰ আধ্যাত্মিক পৰিৱেশত এইবেলি নগাঁও জিলা ব্ৰাহ্মণ সমাজৰ উদ্যোগত যাজক উপ-সমিতিৰ সৌজন্যত, মহিলা উপ-সমিতিৰ সহযোগত আৰু চলচলি প্ৰাথমিক ব্ৰাহ্মণ সমাজৰ আতিথ্যত চলচলি সাৰ্ব্বজনীন দুৰ্গা মন্দিৰ প্ৰাঙ্গণত অহা ৯, ১০ আৰু ১১ এপ্ৰিলত তিনিদিনীয়াকৈ বিষ্ণু যজ্ঞ আৰু সমূহীয়া উপনয়নৰ আয়োজন কৰা হৈছে। এই পৱিত্ৰ যজ্ঞস্থলীত ১২ গৰাকীকৈ ব্ৰাহ্মণ সন্তানৰ ৰীতিনুসাৰে উপনয়ন কৰ্ম সম্পাদনৰ ব্যৱস্থা কৰা হৈছে। যোৱা ৫ ফেব্ৰুৱাৰীত পুৰণিগুদামৰ সমীপৱৰ্তী চলচলি প্ৰাথমিক ব্ৰাহ্মণ সমাজৰ সহযোগত চলচলি সাৰ্বজনীন দুৰ্গাপূজা মন্দিৰৰ সমীপত চন্দ্ৰজ্যোতি প্ৰেক্ষাগৃহৰ মুকলি স্থানত যজ্ঞ মণ্ডপ নিৰ্মাণৰ বাবে ভূমি পূজন কাৰ্যসূচী অনুষ্ঠিত হয়। নগাঁও জিলা ব্ৰাহ্মণ সমাজৰ সভাপতি নৰেন্দ্ৰ নাথ শৰ্মা আৰু সাধাৰণ সম্পাদক দ্বিজেন গোস্বামীৰ লগতে জিলাৰ কেইবাগৰাকী বিষয়ববীয়া উপস্থিত থকা এই ভূমি পূজন কাৰ্যসূচীত চলচলি প্ৰাথমিক ব্ৰাহ্মণ সমাজৰ সকলো কৰ্মকৰ্তা উপস্থিত থাকে।ভূমি পূজনৰ পিছতে অনুষ্ঠিত হোৱা জিলা ব্ৰাহ্মণ সমাজৰ সাধাৰণ সভাত আগন্তুক যজ্ঞ অনুষ্ঠান আৰু সমূহীয়া উপনয়ন সফল কৰিবলৈ কেনে ব্যৱস্থা গ্ৰহণ কৰা হ’ব তাৰ ওপৰত আলোচনা কৰা হয়। সভাত দুলেন শৰ্মা (মন্ত্ৰী) আৰু তৰুণী শৰ্মাক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়।

# শিৱসাগৰত ভাৰতীয় ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৬৩ বি এন এচ এচ ৰ অধীনত পুনৰ নিষেধাজ্ঞা জাৰি

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলাত শান্তি-শৃংখলাৰ পৰিস্থিতি বিঘ্নিত হোৱাৰ আশংকা কৰি শিৱসাগৰ জিলাৰ জিলা দণ্ডাধীশ আই এ এছ আয়ুস গাৰ্গৰ স্বাক্ষৰিত নিৰ্দেশযোগে সমগ্ৰ শিৱসাগৰ জিলাত তৎকালে বলৱৎ হোৱাকৈ ভাৰতীয় ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৬৩ বি এন এচ এচৰ অধীনত নিষেধাজ্ঞা জাৰি কৰিছে। উল্লেখ্য যে, এই নিষেধাজ্ঞা অনুসৰি পূৰ্বৰ অনুমতি অবিহনে ৰাজহুৱা স্থানত পাঁচজন বা তাতোধিক লোকৰ সমাৱেশ, সভা-সমিতি পতা, পথ বন্ধ, পুত্তলিকা দাহ কাৰ্যসূচী, আগ্নেয়াস্ত্ৰ কঢ়িওৱা, শোভাযাত্ৰা উলিওৱা, শ্বহীদ বেদী নিৰ্মাণ, দেৱাল লিখন, ৰাজহুৱা সম্পত্তি অনিষ্টসাধন কৰা, কোনো ব্যক্তি বা ব্যৱসায়িক প্ৰতিষ্ঠান, কাৰ্যালয় আদিত যি কোনোধৰণৰ বৰঙণি সংগ্ৰহ বা প্ৰদান কৰা, ভাৰতীয় পুৰাতাত্বিক জৰীপ বিভাগৰ অধীনস্থ সংৰক্ষিত কীৰ্তিচিহ্নসমূহৰ ২০০ মিটাৰৰ ভিতৰত অকৰ্তৃত্বশীল ব্যক্তি বা সংগঠনৰ চলাফুৰা সম্পুৰ্ণকৈ নিষিদ্ধ কৰিছে। অৱশ্যে কৰ্মৰত চি আৰ পি এফ, কৰ্মৰত চৰকাৰী বিষয়া-কৰ্মচাৰী আৰু আৰক্ষীৰ লোকক এই নিষেধাজ্ঞাৰ পৰা ৰেহাই দিয়া হৈছে।

# শুৱালকুছিৰ মহাবীৰ লাচিত কাপ ফুটবলত ৰূপকোঁৱৰ একাডেমী চেম্পিয়ন




**দিলীপ মেধি, শুৱালকুচি ঃ** অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ, কামৰূপ জিলা সমিতিৰ উদ্যোগত শুৱালকুছি বালিচৰত অনুষ্ঠিত হোৱা মহাবীৰ লাচিত ক্লাব আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত চাংশাৰীৰ ৰূপকোৱৰ একাডেমীয়ে চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰে। অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেল খেলত ৰূপকোঁৱৰ একাডেমিৰ ৰোহিত হেমব্ৰমে দিয়া একমাত্ৰ গলৰ ব্যৱধান শুৱালকুছি মহাবিদ্যালয়ক পৰাস্ত কৰে। প্ৰতিযোগিতাখন আনুস্থানিকভাৱে উদ্বোধন কৰে ক্ৰীড়া সংগঠক অনিল চন্দ্ৰ বৈশ্যই। বন্তি প্ৰজ্বলন কৰে সত্ৰাধিকাৰ ৰাজীৱলোচন সন্তই। উপস্থিত থাকে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ ৰাষ্ট্ৰীয় সহঃসংযোজক, ৰাজ্যিক বিশ্ববিদ্যালয় ভৱতীৰ্থ গোস্বামী আৰু কামৰূপ জিলাৰ সাংগঠনিক সম্পাদক শিৱানন কটকী। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়, পূৱ কামৰূপ কলেজ, দক্ষিণ কামৰূপ মহাবিদ্যালয়, দমদমা মহাবিদ্যালয়, ৰূপকোঁৱৰ একাডেমী আৰু ৰামানুজন একাডেমীয়ে। ফাইনেল খেলৰ অন্তত বটাঁ প্ৰদান কৰে অনুসুচিত জাতি মৰ্চা বিজেপিৰ প্ৰদেশ সমিতিৰ উপ সভাপতি প্ৰকাশ দাস, বিশিষ্ট নাগৰিক ড° কেশৱ কলিতা, উদীয়মান সমাজকৰ্মী ৰাজীৱ দাস, যুৱনেতা দিবাকৰ কলিতা, প্ৰাক্তন ফুটবল খেলুৱৈ প্ৰশান্ত ভৰালী, এবিভিবিৰ শিৱ শৰ্মা প্ৰমুখ্যে কাৰ্যকৰ্তা আৰু কৰ্মীসকল। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে বিজয়ী দলৰ আয়ুস ছেত্ৰী আৰু শ্ৰেষ্ঠ গোলকীপাৰৰ সন্মান লাভ কৰে বিজেতা দলৰ ভৃগুজ্যোতি দাসে। দুয়োটা দলকে ট্ৰফী, মেদেল আৰু নগদ ধন প্ৰদান কৰা হয়।

# শুৱালকুছিত ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱস উদ্‌যাপন




**দিলীপ মেধি, শুৱালকুছি ঃ** জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আৰু শুৱালকুছি খণ্ড প্ৰাথমিক চিকিৎসালয়ৰ সহযোগত ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিবস উদ্‌যাপন কৰা হয়। বংশৰ ভৃঙ্গেশ্বৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত উক্ত দিৱসত পাঁচ গৰাকী শিশুক পেলু নাশক বড়ি প্ৰদান কৰি মুকলি কৰে। অনুষ্ঠানত উপস্থিত থাকি কামৰূপৰ স্বাস্থ্য বিভাগৰ ভাৰপ্ৰাপ্ত যুটীয়া স্বাস্থ্য সঞ্চালক ৰূপালী শইকীয়া ফুকনে পেলু নিৰ্মূলকৰণৰ প্ৰয়োজনীয়তা ওপৰত বিশদ ব্যাখ্যা কৰি কয়, পেলু সক্ৰমিত এজন শিশু পুষ্টিহীনতা, ৰক্তহীনতাত ভুগি মানসিক আৰু শাৰীৰিক বিকাশত বাধাগ্ৰস্ত হৈ পৰে। যাৰ ফলত শিশুটি লিখা পঢ়াত বা খেল-ধেমালিৰ প্ৰতি অমনোযোগিতা হৈ মানসিক ভাৱে দুৰ্বল হৈ পৰে। সেয়ে ১ পৰা ১৯ বছৰৰ প্ৰতিজন ল’ৰা-ছোৱালীক পেলু নিমূলকৰণ অভিযানৰ জৰিয়তে সুস্থ সবল কৰি ৰখাৰ আঁচনিখনৰ মূল লক্ষ্য আৰু উদ্দেশ্য বুলি কয়। আনহাতে শুৱালকুছি মহাত্মা গান্ধী চিকিৎসালয়ৰ উপ-অধীক্ষক ডাঃ কাৰ্তিক চন্দ্ৰ মেধিয়ে ১০ ফেব্ৰুৱাৰী পৰা ১৭ ফেব্ৰুৱাৰীলৈ শুৱালকুছিৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত সকলো শিশুক পেলু নাশক বড়ি প্ৰদান কৰি পেলুমুক্ত নিশ্চিত কৰিবলৈ আশা কৰ্মী আৰু অঙ্গনবাদী কৰ্মীসকলক পৰামৰ্শ আগবঢ়ায়। একেদৰে শুৱালকুছি মহকুমা স্বাস্থ্য বিষয়া ডাঃ দীপক দাসে এটি শিশু পেলুমুক্ত হৈ থকাৰ বাবে ল’বলগীয়া সাৱধানতাৰ বিষয়ে অৱগত কৰে। বিশেষকৈ শিশুসকলৰ চাফ চিকুনতাৰ ওপৰত অধিক গুৰুত্ব দিব লাগে বুলি কয়। সভাত সমাজ কল্যাণ বিভাগৰ শুৱালকুছিৰ চি ডি পি অ ৰশ্মি ৰেখা বৰকাকতি, ডি এম ই নিলাক্ষী মেধিৰ লগতে শুৱালকুছি খণ্ড প্ৰাথমিক চিকিৎসালয়ৰ বিষয়া-কৰ্মীসকল উপস্থিত থাকে।

# চৰাইবাহীৰ শংকৰদেৱ বিদ্যা নিকেতনৰ অভিভাৱক সন্মিলনত শিক্ষাবিদ পৰেশ বৈশ্য

## সন্তানক আপডালত মাতৃসকলে গান্ধাৰীৰ নহয়, কুন্তীৰ ভূমিকা লোৱা উচিত



**দিলীপ মেধি, শুৱালকুছিঃ** পিতৃ-মাতৃৰ বাবে সন্তানেই হ'ল ভগৱানে দিয়া উৎকৃষ্ট উপহাৰ। সেয়ে সন্তানক বিজ্ঞানসন্মতভাৱে আপডাল কৰাটো পিতৃ-মাতৃ বা অভিভাৱকৰ নৈতিক দায়িত্ব। সন্তানক কেৱল অনুশাসনৰ জৰিয়তে কৰা আপডালো শুদ্ধ নহয়, বৰঞ্চ সন্তানক প্ৰয়োজনীয় স্বাধীনতা বা সম্ভ্ৰম সহকাৰে আগুৱাই যাবলৈ অনুপ্ৰাণিত কৰিব পৰাটোহে প্ৰয়োজনীয় কথা। সন্তান আপডালত বহু ক্ষেত্ৰত পিতৃতকৈ মাতৃসকলে ইতিবাচক ভূমিকা ল'ব পাৰে। এই ক্ষেত্ৰত মাতৃসকলৰ ভূমিকা হ'ব লাগিব মহাভাৰতৰ কুন্তীৰ দৰে, গান্ধাৰীৰ দৰে নহয়। চৰাইবাহীৰ শংকৰদেৱ বিদ্যা নিকেতনে বিদ্যালয় প্ৰাংগণত আয়োজন কৰা এক অভিভাৱক সন্মিলনত মুখ্য অতিথি হিচাপে ভাগ লৈ বিশিষ্ট শিক্ষাবিদ তথা লেখক-সাংবাদিক পৰেশ বৈশ্যই এইদৰে কয়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দিলীপ নাথৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত বৈশ্যই আৰু কয় যে সন্তান বিপথে যোৱাৰ বাবে মূলত পিতৃ-মাতৃয়েই দায়ী। সন্তান আপডালৰ ক্ষেত্ৰত পিতৃ-মাতৃৰ ভুল মাৰ্গ দৰ্শনৰ বাবেই সন্তানে জীৱনৰ সঠিক বাছি লোৱাত ব্যৰ্থ হয়। তেনেই নগণ্য সংখ্যক অভিভাৱকৰ ক্ষেত্ৰতহে ইয়াৰ ব্যতিক্ৰম দেখা যায়। বৈশ্যই আৰু কয় যে পিতৃ-মাতৃয়ে সন্তানৰ সৰু সৰু সফলতাবোৰকো উৎসাহিত কৰা উচিত। সমান্তৰালভাৱে সন্তানৰ সৰু সফলতাবোৰৰ ক্ৰমাৎ উত্তৰণত অনুঘটকৰ ভূমিকা লোৱা উচিত। তেওঁ কয় যে সন্তানৰ সৰ্বাংগীন বিকাশত বিদ্যালয়তকৈয়ো ঘৰখন আৰু সামাজিক পৰিৱেশৰ প্ৰভাৱ অতি বেছি। জীৱনবোধৰ উচিত শিক্ষা এই দুই ক্ষেত্ৰতহে অংকুৰিত হয়। তেওঁ কয় যে আৰামদায়ক স্থানত অৱস্থান কৰি সফলতাৰ জিলাত উঠাটো কঠিন। নিৰবিচ্ছিন্নভাৱে প্ৰচেষ্টা কৰাজনেহে সফলতাৰ মুখ দেখে। আনকি কেতিয়াবা বিফলতায়ো আমাক সফল হোৱাৰ পথ দেখুৱায়। কেৱল লাগিব মনৰ দৃঢ়তাৰ আৰু প্ৰয়াস, ইতিবাচক মানসিকতা। তেওঁ অভিভাৱকসকলক নিজৰ সন্তানৰ সৈতে সময় দিবলৈ আৰু তেওঁলোকৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ প্ৰতিও সচেষ্ট হ'বলৈ আহ্বান জনায়। বৈশ্যই অভিভাৱককলক নিজৰ সন্তানক মোবাইল ফোনৰ আসক্তিৰ পৰা আঁতৰাই ৰখাৰ ওপৰতো গুৰুত্ব দিবলৈ কয়। সভাত বিশিষ্ট অতিথি হিচাপে ভাষণ দি বিশিষ্ট সমাজকৰ্মী তথা বাপুৰাম কলিতা মহাবিদ্যালয়ৰ অধ্যক্ষ বিষ্ণু ভাগৱতীয়ে কয় যে অভিভাৱকে সন্তানক জোৰ কৰি জীৱিকাৰ পথ বাছি দিয়া অনুচিত। বৰঞ্চ সন্তানক নিজৰ প্ৰতিভাৰ লগত পৰিচয় হোৱাৰ সুযোগ দিয়া উচিত। সভাৰ আৰম্ভণি বিদ্যালয়খনৰ প্ৰধান আচাৰ্য ভাগ্যৰাম নাথে ভাষণ দি ছাত্ৰ ছাত্ৰীসকলৰ সৰ্বাংগীন বিকাশৰ বাবে বিদ্যালয়খনে লৈ অহা ভালেমান পদক্ষেপ কথা অভিভাৱকসকলক অৱগত কৰে। সভাত বিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক ৰোহিনী কুমাৰ নাথ, কোষাধ্যক্ষ কমলেন্দ্ৰ দেৱনাথ, উপদেষ্টা ডম্বৰুধৰ কলিতা সদস্যা জ্যেৎস্না দেৱীৰ লগতে বিদ্যালয়খনৰ আচাৰ্য-আচাৰ্যাসকলৰ উপৰিও প্ৰায় চাৰি শতাধিক অভিভাৱক উপস্থিত থাকে। সভাত বিদ্যালয়খনৰ আচাৰ্যা প্ৰতিভা দেৱীয়ে বৰগীত আৰু আচাৰ্য ৰূপন নাথে ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে।

# গণিতৰ অপূৰ্ব দিশ ঃ এক বৈজ্ঞানিক আৰু দাৰ্শনিক দৃষ্টিভংগী

■ **নাচিমা য়াচমিন,** বিশ্বনাথ চাৰিআলি

**গ**ণিত বৈজ্ঞানিক শাস্ত্ৰৰ বহু আগৰে পৰা আমাৰ দৈনন্দিন জীৱনৰ এক অমূল্য অংশ হৈ পৰিছে। দৈনন্দিন জীৱনত আমি সচৰাচৰ যিকোনো পৰিসৰৰ গণিতৰ পৰিসংখ্যা, সূত্ৰ আৰু গণনা দেখি পাওঁ। ই আমাৰ চিন্তা আৰু বোধৰ এক শৃংখলাবদ্ধ পদ্ধতি।

**গণিতৰ আৰম্ভণি ঃ এক ঐতিহাসিক দিশ**

গণিতৰ পৃষ্ঠপোষকত্বৰ পূৰ্বৰ পৰা আজি পৰ্যন্ত এক অনন্ত যাত্ৰা অবিৰতভাৱে চলি আছে। ই ভাৰতৰ প্ৰাচীন কালৰ পৰা আৰম্ভ হৈছে, য'ত পুৰাণিক গণিতবিদে শূন্যৰ ধাৰণা আৰু আৰ্হিৰ সূত্ৰ উদ্ভাৱন কৰিছিল। এই পদ্ধতিবোৰে আধুনিক গণিতৰ মূল স্থাপন কৰিছিল। গ্ৰীক আৰু ৰোমান গণিতবিদে পূৰ্ণাংগ এক গাণিতিক তত্ত্বৰ শাস্ত্ৰ ৰচনা কৰি তাত নতুন দিশ উন্মোচন কৰিছিল। মাত্ৰাত আৰু পৰিসংখ্যাৰ সূত্ৰসন্নিবিষ্ট এক বৈজ্ঞানিক চিন্তা উদ্ভাৱন কৰি, গণিতৰ অপূৰ্ব দিশ উন্মোচন কৰা হৈছিল।

**গণিতৰ দাৰ্শনিক দিশ ঃ**

গণিত কেৱলমাত্ৰ এক বৈজ্ঞানিক পদ্ধতি নহয়, ই এক দাৰ্শনিক চিন্তাধাৰা। গণিত শাস্ত্ৰীয় দৃষ্টিত, পৰিসংখ্যাৰ ফৰ্মুলাবোৰ জীৱনৰ গভীৰ সাৰ্থকতা আৰু বোধৰ অৰ্থৰ সন্ধানৰ এক অঙ্গ। গাণিতিক চিন্তা, সৃষ্টি আৰু ধাৰণাৰ পৰা আৰম্ভ কৰি, এটি গণিতৰ সঠিক প্ৰতিপাদনলৈ আগবঢ়াৰ পথ প্ৰদৰ্শন কৰে। এটি শক্তিশালী চিন্তাৰ পদ্ধতি যি শৃংখলাবদ্ধতাৰে বিশ্বৰ সঠিক অৰ্থ বিচৰাৰ বাবে সহায় কৰে।

**গণিত আৰু সমাজ ঃ এক যুগান্তকাৰী ভূমিকা ঃ**

গণিতৰ প্ৰয়োগ সমাজৰ বহুত ক্ষেত্ৰত দেখা যায়। শিক্ষা, পৰিসংখ্যা, অৰ্থনীতি, আৰু বিজ্ঞানৰ ক্ষেত্ৰত গণিতৰ গুৰুত্ব বোধ কৰা যায়। সমাজৰ উন্নতিত আৰু মানৱিক বিকাশৰ ক্ষেত্ৰত গণিতৰ ভূমিকা অসীম। পৰিসংখ্যাৰ সঠিক বিশ্লেষণ আৰু গণনা সমাজৰ সমৃদ্ধিৰ বাবে অত্যন্ত প্ৰয়োজনীয়। বায়'-মেডিকেল ইঞ্জিনিয়াৰিঙৰ পৰা আৰম্ভ কৰি, ৰাজনীতি আৰু অৰ্থনীতিৰ ক্ষেত্ৰত গণিতৰ প্ৰয়োগ আমাৰ জীৱনক সুৰক্ষিত আৰু উন্নত কৰে।

গণিতৰ জগত এক বিস্ময়ৰ উৎস। ই শাস্ত্ৰ আৰু দাৰ্শনিক চিন্তাৰ মিশ্ৰণৰ পৰা জন্মলাভ কৰিছে। গণিতৰ চৰ্চা সঠিকভাৱে কৰাৰ মাধ্যমত আমি আমাৰ জীৱন আৰু সমাজৰ ভিতৰৰ সমূহ সমস্যাৰ সহজ সমাধান বুজি পাব পাৰি। গণিত মাত্ৰ এক পাঠ্য বিষয় নহয়, বৰঞ্চ এক অনন্ত জ্ঞান সন্ধানৰ পথ। ই আমাৰ চিন্তা আৰু বিশ্লেষণৰ শক্তি বৃদ্ধি কৰাত সহায়ক।

**ম'বাইল ঃ** ৭০৯৯৩-৮৯৭৫৫

# এডভাণ্টেজ অসম ২.০ ঃ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন, ২০২৫ৰ ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলা ভিত্তিত আয়োজিত কৰ্মশালাত মন্ত্ৰী যোগেন মোহন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** ডিব্ৰুগড় জিলা প্ৰশাসনৰ সৌজন্যত ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ উদ্যোগত ডিব্ৰুগড় জিলা পুথিভঁৰালৰ প্ৰেক্ষাগৃহত জিলাভিত্তিত এডভাণ্টেজ অসম ২.০ ঃ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন, ২০২৫ৰ এখনি কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাখনিৰ শুভাৰম্ভণি কৰে অসম চৰকাৰৰ পৰিবহণ, সমবায়, পাৰ্বত্য অঞ্চল, খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ মন্ত্ৰী তথা ডিব্ৰুগড় জিলাৰ অভিভাৱক মন্ত্ৰী যোগেন মহনে। জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে আদৰণি ভাষণ প্ৰদান কৰি কয় যে অসমক ভাৰতৰ এক অন্যতম শ্ৰেষ্ঠ বিনিয়োগৰ গন্তব্য স্থান ৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত এডভাণ্টেজ অসম ২.০ ঃ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনে এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব। কৰ্মশালাত এডভাণ্টেজ অসম ২.০ ঃ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ সবিশেষ লগতে উদ্যোগ আৰু বাণিজ্যিৰ ক্ষেত্ৰত তিনিচুকীয়া জিলাত উপলব্ধ সুযোগ সন্দৰ্ভত সবিশেষ তথ্য আগবঢ়ায় তিনিচুকীয়া জিলা উদ্যোগ আৰু বাণিজ্যি কেন্দ্ৰৰ প্ৰধান পৰিচালক (ভাৰপ্ৰাপ্ত) হিৰকজ্যোতি পেগুয়ে। আনহাতে, ডিব্ৰুগড় জিলা সন্দৰ্ভত সবিশেষ তথ্য দাঙি ধৰে জিলা উদ্যোগ আৰু বাণিজ্যি কেন্দ্ৰৰ সহকাৰী পৰিচালক বিজিত গগৈয়ে। কৰ্মশালাত 'উন্নতি আচঁনি' সন্দৰ্ভতো বিতং তথ্য সম্বলিত পাৱাৰপইন্ট প্ৰেজেণ্টেশ্যন আগবঢ়োৱা হয়। মুখ্য অতিথি হিচাপে উপস্থিত থাকি মন্ত্ৰী যোগেন মোহনে ভাষণত চাহ নগৰী ডিব্ৰুগড় জিলাৰ লগতে তিনিচুকীয়া জিলাক অসমৰ এখন শক্তিশালী উদ্যোগীক কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনায়। তেওঁ কৰ্মশালাত উপস্থিত থকা ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ বিভিন্ন ক্ষেত্ৰৰ উদ্যোগীসকলক এডভাণ্টেজ অসম ২.০ৰ বাবে নিজৰ নাম পঞ্জীয়ন কৰি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তুলিবলৈয়ো আহ্বান জনায়। অসমৰ সম্ভাৱনা সমূহক সম্পদলৈ ৰূপান্তৰ কৰি ৰাজ্যখনক দেশৰ এখন আগশাৰীৰ উন্নত ৰাজ্যত পৰিণত কৰাৰ বাবে অসম চৰকাৰে অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীৰ খানাপাৰা অসম পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত এডভাণ্টেজ অসম ২.০ ঃ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন ২০২৫ আয়োজন কৰিছে। উক্ত সন্মিলনত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থকাৰ লগতে প্ৰায় তিনিশগৰাকী শীৰ্ষস্থানীয় দেশী-বিদেশী উদ্যোগপতি আৰু তেওঁলোকৰ প্ৰতিনিধি উপস্থিত থাকিব। অসমক ভাৰতৰ এক অন্যতম শ্ৰেষ্ঠ বিনিয়োগৰ গন্তব্য স্থানৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ এক উল্লেখনীয় পদক্ষেপ হ'ল এডভাণ্টেজ অসম ২.০ ঃ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন। কৰ্মশালাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি অসম চৰকাৰৰ শ্ৰম কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ, গৃহ (কাৰাগাৰ, গৃহৰক্ষী) বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই নিজ ভাষণত উল্লেখ কৰে যে, এডভাণ্টেজ অসম ২.০ হৈছে ৰাজ্যখনৰ উঠি অহা প্ৰজন্মক উদ্যোগীকৰণ প্ৰতি উৎসাহিত কৰাৰ এক উল্লেখনীয় পদক্ষেপ। তেখেতে নৱপ্ৰজন্মক চৰকাৰী কৰ্মসংস্থাপনৰ প্ৰতি আগ্ৰহী নহৈ উদ্যোগ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আগ্ৰহী হ'বলৈ আহ্বান জনায়। অসমত বৰ্তমান এক শান্তিপূৰ্ণ



বাতাবৰণৰ সুচনা হৈছে বুলি উল্লেখ কৰি প্ৰাকৃতিক সম্পদেৰে পৰিপূৰ্ণ অসম বিনিয়োগকাৰীসকলৰ বাবেও যথেষ্ট আকৰ্ষণীয় গন্তব্যস্থল হৈ উঠিছে বুলি মন্তব্য আগবঢ়ায়। এই কৰ্মশালাত চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱা, দুলীয়াজান বিধানসভা সমষ্টিৰ বিধায়ক তেৰচ গোৱালা, তিনিচুকীয়া বিধানসভা সমষ্টিৰ বিধায়ক তথা খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধ্যক্ষ সঞ্জয় কিশান, খোৱাং বিধানসভা সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈ, পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, অসম গেছ কোম্পানী লিমিটেডৰ উপাধ্যক্ষ ইন্দ্ৰ গগৈ প্ৰমুখ্যে ডিব্ৰুগড় জিলা প্ৰশাসন আৰু জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ বিষয়ববীয়া, ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ ব্যৱসায়ী, উদ্যোগী, ক্ষুদ্ৰ চাহ খেতিয়ক, বস্ত্ৰশিল্প ক্ষেত্ৰৰ উদ্যোগী, প্ৰগতিশীল কৃষক আৰু পশুপালক, উদ্যোগীক সংগঠন, ব্যৱসায়িক সংগঠন, আত্মসহায়ক গোটৰ সদস্যসকল আৰু মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান ২.০ৰ হিতাধিকাৰীসকল উপস্থিত থাকে।

# মহাপুৰুষ সন্ত শিৰোমণি গুৰু ৰবিদাস দেৱ

*(১২ ফেব্ৰুৱাৰী, ৰবিদাস জয়ন্তী উপলক্ষে)*

■ **পঙ্কজ ৰবিদাস,** ৰঙামাটি, গোলাঘাট

**আ**মাৰ দেশ ভাৰতবৰ্ষক কেইবাজনো অৱতাৰী পুৰুষ আৰু আধ্যাত্মিক ব্যক্তিত্বৰ অধিকাৰী মহান সন্ত মহাপুৰুষৰ মহত্বপূৰ্ণ কৰ্মৰে আলোকিত কৰি গৈছে আৰু ভক্তিৰ প্ৰকৃত সত্বাৰ বিষয়ে জনসাধাৰণক জাগ্ৰত কৰিছে। সৎগুৰু ৰবিদাস আছিল ভক্তি আন্দোলনৰ অন্যতম প্ৰখ্যাত সন্ত, যিয়ে তেওঁৰ ভক্তিমূলক গীত আৰু বাণীৰ জৰিয়তে এক চিৰস্থায়ী প্ৰেৰণা সৃষ্টি কৰিছিল। তেওঁ সন্ত পৰম্পৰাৰ নিৰ্গুণ সম্প্ৰদায়ৰ আগশাৰীৰ তাৰকা আছিল আৰু নিৰাকাৰ ঈশ্বৰৰ উপাসনাক আগস্থান দিছিল।

বিক্ৰমী সম্বত ১৪৩৩ অৰ্থাৎ ইংৰাজী ১৩৭৭ চনত পবিত্ৰ মাঘী পূৰ্ণিমা তিথিত কাশীৰ শ্ৰীগোবৰ্ধনপুৰ গাঁৱত অনুসূচিত জাতিৰ এক পৰিয়ালত মহাপুৰুষ সন্তগুৰু ৰবিদাস দেৱৰ জন্ম হৈছিল। তেওঁ জাতি, ধৰ্ম আৰু বৰ্ণৰ ভিত্তিত সৃষ্ট বৈষম্যৰ বিৰুদ্ধে যুঁজিছিল আৰু সাৰ্বজনীন ভাতৃত্ববোধৰ পাঠ শিকাইছিল। তেওঁৰ অস্পৃশ্যতাৰ বিৰুদ্ধে আৰু সামাজিক মৰ্যাদা প্ৰতিষ্ঠাৰ বাবেই ভক্তি আন্দোলনৰ মাধ্যমেৰে ওৰেটো জীৱন সংগ্ৰামত অৱতীৰ্ণ হৈছিল। সেয়ে তেওঁ সমাজৰ নিপীড়িত শ্ৰেণীৰ বাবে এক গুৰুত্বপূৰ্ণ ব্যক্তিত পৰিণত হৈছে। তেওঁৰ অনুগামীসকলৰ ভিতৰত চিতোৰৰ ৰাজপুত ৰাণী তথা প্ৰশিদ্ধা কৃষ্ণ-ভক্ত মীৰাবাইৰ দৰে উচ্চ বৰ্ণৰ লগতে কেইবাজনো ৰজা-মহাৰজাও আছিল। তেওঁক মীৰাবাইৰ আধ্যাত্মিক গুৰু বুলি গণ্য কৰা হয়, যিটো তেওঁৰ ‘গুৰু মিলিয়া ৰবিদাস জী, দিনি জ্ঞান কি গুটকী; চোট লগী নিজ নাম হৰি কি, মাৰে হিভ্ৰে খাটকী’ পদৰ জৰিয়তে প্ৰকাশ কৰিছিল।

সন্ত শিৰোমণি গুৰু ৰবিদাস দেৱৰ মত অনুসৰি জন্মৰে কোনেও মহান বুলি আখ্যা পাব নোৱাৰে, নিজৰ উচ্চ কৰ্মৰেহে মানুহ মহান বুলি বিভুষিত হয়। গুৰুজনা নিজ কৰ্ম গুণে আজি বন্দিত হৈছে। ভাগৱতৰ সুৰত গুৰুজনাই কৈছে - ‘ৰবিদাস জন্ম কে কাৰণ, হট না কৌ নিচ; নৰ কৌ নিচ কাৰি দাৰি হ্যেঁ, ওচে কৰম কি কীচ’। অৰ্থাৎ জন্মত কোনেও নীচ নহয়, কিন্তু তেওঁৰ কৰ্মই তেওঁক উচ্চ বা নীচ কৰি তোলে। গতিকে, সদায় মহৎ কামত মনোনিৱেশ কৰিব লাগে।

আকৌ পবিত্ৰ ধৰ্ম গ্ৰন্থ গীতাৰ সুৰেৰে তেওঁ নিজৰ ভাষাত প্ৰচাৰ কৰিছিল-‘কৰম বন্ধন মেঁ ফল কি না তজ্জিয়ো মানুহ কা ধৰ্ম হ্যে ৰবিদাস’। অৰ্থাৎ সদায় কৰ্তব্য কৰি যাবা, ফললৈ নকৰি আশা। কাৰণ সৎকৰ্তব্যই মনুষ্যৰ ধৰ্ম। গুৰু ৰবিদাস দেৱে কৈছিল যে সকলো মানুহ পৰম ভগৱন্তই সৃষ্টি কৰিছে আৰু সেয়ে সকলো মানুহৰেই এই পৃথিৱীত সমান অধিকাৰ আছে। ইয়াত জাতি বা বৰ্ণৰ কথা আহিব নোৱাৰে।

‘তোহি মোহী, মোহী তোহী, অন্তৰড় কৈসা; কনক কটিক জল তৰংগ জৈসা’। অৰ্থাৎ তোমাৰ (ঈশ্বৰ) আৰু মোৰ (সন্তজনা) মাজত কোনো পাৰ্থক্য নাই, যিদৰে সোন আৰু সোনৰ অলংকাৰ, অথবা পানী আৰু তৰংগৰ মাজত বিশেষ পাৰ্থক্য বিচাৰি পোৱা নাযায়।

সন্ত শিৰোমণি গুৰু ৰবিদাস দেৱে কৈছিল, ‘যদি ভাল কৰিব নোৱাৰে তেন্তে অন্ততঃ আনৰ ক্ষতি নকৰিব। যদি ফুলৰ দৰে জীয়াই থাকিব নোৱাৰে তেন্তে অন্ততঃ কাঁইটৰ দৰে জীয়াই নাথাকিব’। তেওঁ কৈছিল, ‘অবিদ্যা আহিত কীন, টাতায় বিবেক দীপ ভৱ মলিন’। অৰ্থাৎ শিক্ষাৰ অভাৱে আমাৰ বহুত ক্ষতি কৰিছে আৰু অজ্ঞানতাই যুক্তিবাদক গ্ৰহণ কৰাত হেঙাৰ হৈ থিয় দিছে বুলি কৈ শিক্ষাৰ প্ৰসংগত এনে বাস্তৱ সন্মত প্ৰগতিবাদী মত পোষণ কৰিছিল।

তেওঁ হিন্দু আৰু শিখ উভয় ধৰ্মৰে শ্ৰদ্ধাশীল সন্ত হিচাপে প্ৰতিষ্ঠিত। তেওঁৰ প্ৰায় ৪০টা পবিত্ৰ পদক ৫ম গুৰু অৰ্জুন সিং দেৱে শিখ শাস্ত্ৰ গুৰু গ্ৰন্থ চাহিবৰ অবিচ্ছেদ্য অংশ হিচাপে গঢ়ি তুলিছে। তেওঁ গুৰুমুখী লিপিৰ উদ্ভাৱক হিচাপে পৰিচিত আৰু এই লিপিৰে সমগ্ৰ শিখ ধৰ্মৰ বাণী লিখা হৈছে।

কালক্ৰমত গুৰু ৰবিদাস দেৱৰ অনুগামী সকলে শিখ ধৰ্মৰ পৰা নিজকে বিচ্ছিন্ন কৰি গুৰু গ্ৰন্থ চাহিবৰ ঠাইত অমৃতৱানীক ধৰ্মীয় মূল গ্ৰন্থ হিচাপে স্থান দিয়ে। এই গ্ৰন্থখনত গুৰু ৰবিদাসদেৱৰ প্ৰায় ২৪০টা পদ বা বাণী আছে।

গুৰু ৰবিদাস দেৱে কৈছিল, ‘পৰাধীনতা পাপ হ্যে, জান লেহুৰে মিত। ৰবিদাস দাস প্ৰাধীন, কৌশল কৰে হি প্ৰীতম।’ অৰ্থাৎ কোনোৱে দাসক ভাল নাপায় আৰু সেয়ে তেওঁ দাসত্বক পাপ বুলি অভিহিত কৰিছিল। তেওঁ তেওঁলোকক জগাই তুলিবলৈ চেষ্টা কৰিছিল আৰু তেওঁলোকৰ সুখ-কষ্টৰ কাৰণৰ বিষয়ে উপলব্ধি কৰিবলৈ চেষ্টা কৰিছিল। তেওঁলোকে অতীতৰ কৰ্মৰ বাবে নহয় বৰঞ্চ দাস জীবন যাপন কৰিবলৈ বাধ্য হোৱাৰ বাবেই লঘু-লাঞ্চনা ভুগিছিল। গুৰু ৰবিদাসদেৱে জানিছিল যে আত্ম উপলব্ধিৰ ফলত সদায় পৰিৱৰ্তন হয়। সেইটোৰেই আছিল অস্পৃশ্যতাৰ কলংক আঁতৰোৱাৰ একমাত্ৰ উপায় যিটো আছিল দাসত্বৰ আন এটা নাম। আত্ম উপলব্ধি সঠিক শিক্ষাৰ জৰিয়তে আহে। গুৰু ৰবিদাসৰ দৃঢ় বিশ্বাস আছিল যে শিক্ষা অবিহনে মানুহৰ যুক্তিবাদী চিন্তাৰ ক্ষমতা হেৰাই যায়। সঠিক সিদ্ধান্ত ল’বলৈ শিক্ষা হ’ব লাগিব। তেওঁ অনুগামীসকলক নিজৰ জীৱনত আগবাঢ়িব বিচাৰিলে শিক্ষা লাভ কৰিবলৈ পৰামৰ্শ দিয়ে। সেইবাবেই ড° আম্বেদকাৰে ঘোষণা কৰিছিল যে শিক্ষাই হৈছে সফলতা আৰু প্ৰগতিৰ একমাত্ৰ চাবিকাঠি।

গুৰু ৰবিদাসদেৱে কেৱল নিজৰ মানুহৰ অধিকাৰৰ বাবে যুঁজ দিয়াই নহয়, কল্যাণকামী ৰাষ্ট্ৰৰ দৰ্শনও গঢ়ি তুলিছিল। মাক্সে ১৯ শতিকাৰ শেষৰ ফালেহে সমাজবাদৰ এনে তত্ত্ব আগবঢ়াইছিল আৰু বেছিভাগ দুখীয়া দেশেই সমাজবাদ প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল। আনকি পুঁজিবাদী দেশসমূহেও এই দৰ্শনৰ পৰা সাৰি নাযায় আৰু মানুহক স্বাস্থ্যসেৱাৰ সুবিধা প্ৰদান কৰি আৰু গৃহহীনক পৰ্যাপ্ত আবাস দি কল্যাণকামী ৰাষ্ট্ৰ গঠনৰ দিশত কাম কৰিবলৈ আৰম্ভ কৰিলে। মধ্যযুগীয়কালত গুৰু ৰবিদাসৰ এনে সমাজ প্ৰতিষ্ঠা কৰাৰ সপোন আছিল। তেওঁৰ এটা বাণীত বেগমপুৰা অৰ্থাৎ সকলো মানুহে সুখ-কষ্ট নোহোৱাকৈ সুখেৰে জীয়াই থকা ৰাজ্যৰ কথা কৈছে। সকলোৰে থাকিবলৈ ঘৰ আৰু খাবলৈ খাদ্য থাকিব লাগিব, তেওঁলোকৰ ওপৰত গধুৰ কৰ বোজা নহয়। যি ৰাজ্যত উচ্চ-নীচ, ধনী-দুখীয়া কোনো নাথাকিব আৰু সকলোৱে সম অধিকাৰেৰে শান্তি-সম্প্ৰীতিৰে জীয়াই থাকিব পাৰিব।

প্ৰকৃততে গুৰু ৰবিদাসদেৱৰ সমগ্ৰ জীৱন সমতা, স্বাধীনতা আৰু ভাতৃত্ববোধৰ মৌলিক মানৱ অধিকাৰ আৰু সম ন্যায় লাভৰ সংগ্ৰামৰ প্ৰকাশ। এইজনা গুৰুৰে পবিত্ৰ জন্ম তিথি মাঘী পূৰ্ণিমাৰ দিনা ৰাষ্ট্ৰীয় ভিত্তিত কেন্দ্ৰীয়ভাৱে বাৰানসীত উলহ মালহেৰে উদ্‌যাপন কৰা হয়। এই জন্মোৎসৱ উদ্‌যাপনৰ বাবে পঞ্জাৱ প্ৰদেশৰ ৰাজ্য চৰকাৰৰ বিশেষ উদ্যোগত প্ৰতিবছৰে ‘বেগমপুৰা এক্সপ্ৰেছ’ নামেৰে এখন বিশেষ ৰে’ল অনুগামীসকলৰ বিনামূলীয়া ভ্ৰমণৰ লগতে বিনামূলীয়া লংঘৰৰ ব্যৱস্থাৰে পঞ্জাৱৰ জলন্ধৰ নগৰৰ পৰা উত্তৰ প্ৰদেশৰ মোগল চৰাই ৰেল আস্থান (বৰ্তমান দীনদয়াল উপাধ্যায় ৰে’ল ষ্টেচন নামেৰে জনা যায়)লৈ যাতায়তৰ সু-ব্যৱস্থা কৰি দিয়া হয়। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ লগতে আমাৰ অসম মুলুকতো অনুগামীসকলৰ দ্বাৰা গুৰুজনাৰ জন্মোৎসৱ উদ্‌যাপন কৰা হয়। এই বেলি ৰাজ্যিক ভিত্তিত বিশ্বনাথ জিলাৰ মুনাবাৰি চাহ বাগিচাত সন্ত শিৰোমণি গুৰু ৰবিদাস দেৱৰ জন্মোৎসৱ উদ্‌যাপন কৰা হ’ব।

# পৰেশ বৈশ্য ফাউণ্ডেচনৰ ‘কামৰ বাছনি কৰিবলৈ শিকোঁ আহাঁ’ কাৰ্যসূচী ৰূপায়ণ



**দিলীপ মেধি, শুৱালকুছি ঃ** শিক্ষাৰ উত্তৰণৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেচনৰ পোহৰ বিদ্যালয়ৰ উদ্যোগত ১০ ফেব্ৰুৱাৰীত মালিগাঁৱৰ লোকপ্ৰিয় বৰদলৈ বিদ্যালয় এম ইত ‘কামৰ বাছনি কৰিবলৈ শিকোঁ আহাঁ’ শীৰ্ষক এটি অভিনৱ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আয়োজন কৰা এই কাৰ্যসূচীত মুখ্য আলোচক হিচাপে ভাগ লৈ বিশিষ্ট শিক্ষাবিদ তথা পৰেশ বৈশ্য ফাউণ্ডেচনৰ পৰিচালন ন্যাসৰক্ষী পৰেশ বৈশ্যই কয় যে জীৱনত অগ্ৰাধিকাৰ ভিত্তিত কামৰ বাছনি কৰিবলৈ শিকিব পৰাটো এক বিশেষ দক্ষতা। আমাৰ জীৱনৰ দৈৰ্ঘতাতকৈ কামৰ পৰিমাণ স্বাভাৱিকভাবেই বেছি। গতিকে অগ্ৰাধিকাৰ ভিত্তিত মুঠ কামৰ ভিতৰত সময়োচিত আৰু দৰকাৰী কাম বাছনি কৰিব নোৱাৰিলে জীৱনৰ বহু সময়ৰ অপচয় হয়। এই দক্ষতা শিক্ষাৰ্থীসকলকে ছাত্ৰাৱস্থাতেই আহৰণ কৰিবলৈ প্ৰয়াস কৰিব লাগে। পৰিয়ালেও নিজৰ সন্তানক ঘৰুৱা কাম-বন কৰিবলৈ শিকাওঁতে এইবোৰ কথাৰ অনুশীলন কৰোৱা উচিত। বৈশ্যই ছাত্ৰ-ছাত্ৰীসকলক আৰু কয় যে কামৰ বাছনিও সময় ব্যৱস্থাপনাৰ এটা দৰকাৰী অংশ। তেওঁ আৰু কয় যে কেতিয়াবা দেখাত সৰু হ’লেও ডাঙৰ কামতকৈও তাক গুৰুত্ব অধিক হ’ব পাৰে। সেইটো উপলব্ধি কৰিব পাৰিব লাগিব। কামৰ বাছনি কৰিবলৈ শিকিব পাৰিলে জীৱনত আৰু অধিক নতুন প্ৰচেষ্টাৰ বাবে বাট উলিয়াব পাৰি। আলোচনাত ভাগ লোৱা ছাত্ৰ-ছাত্ৰীসকলে অভিমত ব্যক্ত কৰি কয় যে এই আলোচনাই তেওঁলোকক জীৱনত আগবাঢ়ি যাবলৈ নতুন পথ দেখুৱাব। আলোচনাত ছাত্ৰ-ছাত্ৰীসকলে নিজে দৈনন্দিন জীৱনত কৰা কিছুমান কামৰ তালিকাকৰণ কৰি পাছত সেইসমূহৰ অগ্ৰাধিকাৰ ভিত্তিত তালিকা কৰাৰো আখৰা কৰে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ লগতে কেইগৰাকীমান শিক্ষয়িত্ৰীও উপস্থিত থাকে। উল্লেখযোগ্য যে ইয়াৰ উপৰিও পৰেশ বৈশ্য ফাউণ্ডেচনৰ পোহৰ বিদ্যালয়ে অসমৰ বিভিন্ন বিদ্যালয়ত ‘ডায়েৰি লিখোঁ আহাঁ’, ‘পৰ্যবেক্ষণ কৰোঁ আহাঁ’ৰ ‘জীৱন জুখিবা হাঁহিৰে’ শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে।


# খেল মহাৰণ ২.০ শিৱসাগৰ জিলা ভিত্তিক খেলসমূহৰ শুভাৰম্ভ জিলা আয়ুক্তৰ



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ উদ্যোগত তথা শিৱসাগৰ জিলা প্ৰশাসনৰ সহযোগত আয়োজন কৰা খেল মহাৰণ ২.০ জিলা ভিত্তিত অনুষ্ঠিত হ’বলগীয়া খেলসমূহৰ যোৱা ৭ ফেব্ৰুৱাৰীত শিৱসাগৰ ব’ৰ্ডিং খেলপথাৰত আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। অনুষ্ঠানৰ শুভ উদ্বোধন কৰে জিলা আয়ুক্ত আয়ুস গাৰ্গে। আনহাতে আদৰণি ভাষণ প্ৰদান কৰে জিলা উন্নয়ন আয়ুক্ত সমীৰণ বৰাই। অনুষ্ঠানত অংশগ্ৰহণ কৰি অৰ্জুন ভোগেশ্বৰ বৰুৱাই খেলুৱৈসকলক খেলত অধিক মনোনিৱেশ কৰিবলৈ অনুৰোধ জনায়। তেওঁ খেলুৱৈসকলক শুভেচ্ছা জনাই কয় যে ‘সুদক্ষ খেলুৱৈ জাতিৰ গৌৰৱ’। উক্ত অনুষ্ঠানতে উপস্থিত থাকি থাওৰা বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা খেল মহাৰণ ২.০ শিৱসাগৰ জিলাৰ সভাপতি কুশল দুৱৰীয়ে জিলা পৰ্যায়ৰ খেলৰ যোগেদি যাতে জিলাৰ খেলুৱৈসকল ৰাজ্যিক পৰ্যায়ত সফলতা অৰ্জন কৰিব পাৰে তাৰ বাবে শুভেচ্ছা জনায়। অনুষ্ঠানত ডিমৌ সম-জিলা আয়ুক্ত পাৰ্থ প্ৰতিম খনিকৰ, জিলা অতিৰিক্ত আয়ুক্ত মিনাক্ষী পাৰ্মে, ডিমৌ পৌৰসভাৰ সভাপতি পল্লৱীতা বৰুৱা গগৈ, শিৱসাগৰ পৌৰসভাৰ সভাপতি মৃণালি কোঁৱৰ, জিলা ক্ৰীড়া বিষয়া সঞ্জয় উপাধ্যায় আৰু বিভিন্ন খেলসমূহত অংশগ্ৰহণ কৰিবলগীয়া খেলুৱৈসকল উপস্থিত থাকে।

# ক'ত কথা ক'ত কাহিনী

■ হিমান্দ্ৰী কুমাৰী শৰ্মা




'ক'ত কথা, ক'ত কাহিনী' পুথিখন ৰেখা শৰ্মাৰ সু-চিন্তনৰ ফচল। ১৬৪ পৃষ্ঠা সমৃদ্ধ পুথিখনৰ আগচোৱাত আছে লেখিকাৰ পৰিপক্ক জীৱনৰ বিচিত্ৰ কাহিনী। আছে তথ্যৰে ভৰপূৰ বহুবোৰ বতৰা। ৰাজনৈতিক জীৱনৰ সমান্তৰালভাৱে সমাজ জীৱনো আগুৱাই নিয়াৰ ক্ষেত্ৰত মাধৱ ৰাও, সদাশিৱৰাও গোলৱালকাৰৰ আশীৰ্বাদো হেনো তেওঁৰ শিৰৰ অঞ্জলি। জীৱন যুঁজত আগুৱাই যোৱাৰ ক্ষেত্ৰত তেওঁৰ স্বামীয়েই আছিল তেওঁৰ প্ৰদান সহচৰী। পিতৃ ৰাধিকা মোহন গোস্বামীৰো আশিসধন্য হৈ সাংগঠনিক ভেঁটি শক্তিশালী কৰাৰ ক্ষেত্ৰত তেওঁ অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল আৰু এই ক্ষেত্ৰত অটল বিহাৰী বাজপেয়ী, লালকৃষ্ণ আদৱানী, মুৰুলী মনোহৰ যোশী, উমা ভাৰতীৰ সংস্পৰ্শই তেওঁক বিৰামহীনভাৱে কৰ্মক্ষেত্ৰত আগুৱাই যাবলৈ দৃঢ়তা জন্মাইছিল। সাহিত্যৰ ক্ষেত্ৰতো কেইবাখেপো আগবঢ়া এইগৰাকী লেখিকাৰ সাহিত্য-সমাজ-ৰাজনৈতিক দিশৰ থূলমূল আভাসেই দৰাচলতে ক'ত কথা, ক'ত কাহিনী বুলি ক'ব পৰা যায়।

ৰেখা শৰ্মাই পুথিখনৰ লেখাবোৰ ক'ত কথা, ক'ত কাহিনীৰে আৰম্ভ কৰিছে। তাত তেওঁৰ শিশুকালকে ধৰি কৈশোৰ, যৌৱন আনকি আদ বয়সৰো ভালেমান অভিজ্ঞতালব্ধ কথাই ঠাই পাইছে। তাৰোপৰি তাত প্ৰবন্ধ আছে ৩০টা। প্ৰবন্ধবোৰ ৰেখা শৰ্মাকে ধৰি বিভিন্নজনে লিখা। পত্ৰ আছে দুখন। লেখিকাৰ স্বামী আছিল গান্ধীজীৰ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ অধ্যক্ষ। সেই সূত্ৰে তেওঁ অসমৰ বিভিন্ন ঠাই ঘূৰি অভিজ্ঞতা আৰ্জিছিল প্ৰচুৰ। আৰু সুবিধা বুজি তেওঁ বিভিন্ন কৰ্মক্ষেত্ৰত জপিয়াই পৰিছিল। তেনে সময়তেই লেখিকাই সুযোগ পাইছিল গড়কাপ্তানী বিভাগে শিৱসাগৰৰ জয়সাগৰ পুখুৰীত সাজি উলিওৱা নৌকা ঘৰত সৰ্বোদয় কৰ্মী বিনোবা ভাৱেৰ চৰণ স্পৰ্শ কৰিবলৈ। তেতিয়াই তেওঁ অমলপ্ৰভা দাস, সমীৰণ দাসৰ সংস্পৰ্শলৈ আহিছিল। তেওঁ আৰু লিখিছিল— 'বিনোৱাজীয়ে অসমৰ মহাপুৰুষ মাধৱদেৱৰ 'নামঘোষা'খন লগত লৈ ফুৰিছিল। তাৰ তত্ত্ববিলাক তেখেতে ভাঙনিৰে বুজি সভাত বক্তব্য ৰাখিছিল (পৃষ্ঠা-২২)। সেই গৰাকীয়ে ৰেখা শৰ্মা, যি বিনোৱা ভাৱেৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈছিল।

১৯৬০ চনৰ ভাষা আন্দোলন, অসম আন্দোলন ১৯৭৫ চনৰ জৰুৰীকালীন সময়কে ধৰি বহুবোৰ ঘটনাৰ সাক্ষী লেখিকা ৰেখা শৰ্মা। বহু ঘটনাৰ পুংখানুপুংখ ব্যাখ্যা অতি সাহসেৰে তেওঁ পুথিখনত দাঙি ধৰিছে। অপ্ৰিয় বিষয় এটাকো যুক্তি সহকাৰে সত্যৰ ভিত্তিত প্ৰতিষ্ঠা কৰিছে। চন-তাৰিখকে াদি কৰি সকলোবোৰ কথাৰে তথ্য তেওঁ সাঁচি থৈছে আৰু সময়ত ক'ত কথা ক'ত কাহিনীৰ জৰিয়তে পাঠক সমাজলৈ এৰি দিছে। সকলো কথাৰ ওপৰতে তেওঁ নিজাকৈ মন্তব্য একোটাও ৰাখিছে এই বাবেই যে, তেওঁ পলায়নবাদী মনোভাৱ পোষণ কৰা নাই। সকলো ঘটনাৰ বিপৰীতে তেওঁ তথ্য লিপিবদ্ধ কৰিছে আৰু বিনা দ্বিধাই আৰু প্ৰতিষ্ঠা কৰিছে। লগতে ধৰ্মৰ ভিত্তিত দেশ বিভাজন হোৱা কথাটোৰো তেওঁ বাৰে বাৰে প্ৰতিবাদ কৰিছে।

ৰেখা শৰ্মাৰ পুথিখন আত্মকথাৰে ভৰপূৰ। প্ৰায় সকলো কথাতে ভগৱানৰ জয়গান। মাজে মাজে তেওঁৰ জীৱনলৈ হতাশা আহি পৰিলেও, একো কৰিব নোৱাৰাৰ ভাৱে বিতত কৰিলেও সময়ত কিন্তু দুগুণ উৎসাহেৰে তেওঁ কৰ্মমুখী হৈ পৰে আৰু সিও ভগৱানৰ ইস্তাতে হয়। আৰু তেনে একোটা কাৰণতে তেওঁ জনতা পাৰ্টীৰো সদস্য হৈ পৰে।

লেখিকা শৰ্মাই কোনো কথাকে লুকঢাক নকৰে আৰু এইখন দেশতে বাংলাদেশীৰ অস্তিত্ব পদে পদে অনুভৱ কৰে। ভোটাৰ তালিকাত তেওঁলোকৰ নাম সন্নিবিষ্ট কৰা কথাটোৱে তেওঁক কষ্ট দিয়ে। ধনৰ বিনিময়ত বাংলাদেশীক ভাৰতীয় নাগৰিক হিচাপে স্বীকৃতি দিয়া কথাটোত 'ধিক্ অসমীয়া জাতি, ধিক্ অসমীয়া জাতি বুলি কৈ খেদ প্ৰকাশ কৰে (পৃষ্ঠা-৩৩) আৰু এনেবোৰ বহু কথাৰেই সমাৱেশ ঘটিছে শৰ্মাৰ পুথিখনত। নকি উত্তৰ কামৰূপৰ নাৰীসকলৰ ওপৰত হোৱা অমানৱীয়, পাশৱিক অত্যাচাৰৰ কথা ক'বলৈ গৈও তেওঁ সেই সময়ৰ চৰকাৰক 'চকু মুদা কুলি' বুলি ক'বলৈ সংকোচ নকৰিলে।

ডাঃ হেড্‌গোৱাৰজীকে আদি কৰি ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ ভালে কেইগৰাকী প্ৰাতঃস্মৰণীয় ব্যক্তিৰ ভালেমান আদৰ্শসূচক কথা শৰ্মাই পুথিখনত উল্লেখ কৰিছে। উল্লেখনীয়ভাৱে দুটিকৈ প্ৰৱন্ধত ঠাই দিছে ৰত্নকান্ত বৰকাকতি আৰু পূৰ্ণ চন্দ্ৰ শৰ্মাক।

ক'ত কথা ক'ত কাহিনীত ৰেখা শৰ্মাই আৰু এটা কাম কৰিছে। কোনো এজন লেখকৰ যিহেতু কোনোবা এটা লেখাৰ কথাবোৰ তেওঁ মনে-প্ৰাণে গ্ৰহণ কৰিছে, কথাবোৰৰ যুক্তিযুক্ততা যিহেতু তেওঁ বিচাৰি পাইছে, ৰাইজে যিহেতু সেই কথাবোৰ জনাটো আৱশ্যক বুলি ভাবিছে, সেইবাবেই তেওঁ সেইবোৰ লেখাৰ স্থান তেওঁৰ পুথিখনত দিছে। আকৌ তেওঁ নিজে লিখা শ্ৰীমন্ত শংকৰদেৱ আৰু আজিৰ অসমৰ সমাজ, বাল্য বিবাহঃ সমাজ জীৱনৰ অপূৰণীয় ক্ষতি আদি ভালেকেইটি প্ৰবন্ধৰ উপৰিও আন লেখকৰো প্ৰবন্ধ তেওঁ পুথিখনত সন্নিবিষ্ট কৰিছে আৰু আমিও বিশ্বাস কৰিছোঁ যে, ই ফলপ্ৰসু ও হ'বলৈ গৈছে।

থোৰতে, মনৰ ভিতৰত গুজৰি-গুমৰি থকা কথাবোৰৰেই বৰ্হিপ্ৰকাশ লেখিকা ৰেখা শৰ্মাৰ ক'ত কথা, ক'ত কাহিনী, যিখনৰ মুদ্ৰণ হৈছে নগাঁৱৰ কলংপাৰ প্ৰেছত আৰু পুথিখনৰ অলংকৰণ কৰিছে জয়ন্ত বৰাই।

**ম'বাইল ঃ ৯৮৬৪১-০০১৬৯**

# ডিমৌত পেলু নিৰ্মূলকৰণ দিৱসৰ জিলা ভিত্তিক উদ্বোধন বিধায়ক সুশান্ত বৰগোহাঁইৰ




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলাৰ অন্তৰ্গত ডিমৌ সমষ্টিৰ ডিমৌ খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ প্ৰেক্ষাগৃহত যোৱা ১০ ফেব্ৰুৱাৰীত দিনৰ ১১-৩৫ বজাত ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱসৰ জিলা ভিত্তিক উদ্বোধন কৰে থাওৰা বিধানসভা সমষ্টিৰ বিধায়াক সুশান্ত বৰগোহাঁইয়ে। এই উদ্বোধনী সভাত ডিমৌ খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ ভাৰপ্ৰাপ্ত মহকুমা স্বাস্থ্য বিষয়া ডাঃ বিজিত বৰা, খণ্ড আঁচনি প্ৰৱন্ধক ৰঞ্জিত বৰা, জিলা গণমাধ্যম বিষয়া অঞ্জুশ্ৰী ফুকন, খণ্ড সামূহিক সংহতিকাৰক (Block Community Mobilizer) মৃণাল ৰাজবংশী, খণ্ড গাণনিক বিষয়া চন্দ্ৰজিৎ শইকীয়া, দিচাংমুখ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ গাণনিক বিষয়া উৎপল দত্ত, ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰমৰ খণ্ড সমন্বয়ক, ৰুবি দিহিঙ্গীয়াকে ধৰি ডিমৌ খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ সকলো বিষয়া-কৰ্মচাৰী আৰু ১ ৰ পৰা ১৯ বছৰ বয়সলৈকে কেইবাগৰাকীও শিশু আৰু কিশোৰ-কিশোৰীৰ লগতে তেওঁলোকৰ মাতৃসকল উপস্থিত থাকে। উল্লেখযোগ্য যে, ১ ৰ পৰা ১৯ বছৰলৈ জিলাখনৰ মুঠ ১,৭৭,৯৫৩ গৰাকী শিশু আৰু কিশোৰ-কিশোৰীক এই টেবলেট খুওৱা হ'ব বুলি বিভাগীয় কৰ্তৃপক্ষই জানিবলৈ দিছে। স্কুল, কলেজ, অংগনবাড়ী চেন্টাৰ, প্ৰতিটো স্বাস্থ্য প্ৰতিষ্ঠান আৰু অনাথ আশ্ৰমৰ প্ৰতিটো শিশুকেই এলবেণ্ডাজল টেবলেট খুওৱা হ'ব। থাওৰা বিধানসভা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁইয়ে চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিখন বিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক এই পেলু নাশক দৰৱ সেৱন কৰিবলৈ অনুৰোধ জনায়। আনহাতে অনুষ্ঠানত উপস্থিত থকা জিলা আয়ুক্ত আয়ুস গাৰ্গে ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱসৰ সফল ৰূপায়ণৰ বাবে জিলাবাসী ৰাইজক সহযোগ কৰিবলৈ আহ্বান জনাইছে। লগতে স্বাস্থ্য বিভাগৰ অতিৰিক্ত আয়ুক্ত মীনাক্ষী পাৰ্মে আৰু যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ মাখন চন্দ্ৰ কলিতাই জিলা প্ৰতিগৰাকী শিশু কিশোৰ-কিশোৰীয়ে এই বড়ি সেৱন কৰি সুস্থ সবল হৈ থাকিবলৈ আহ্বান জনায়।

# মাজুলী যোগী কৈৱৰ্ত গাঁৱৰ হৰি মন্দিৰত আসন প্ৰতিষ্ঠা



**বিকাশ শইকীয়া, মাজুলী ঃ** মাজুলীৰ বনগাঁওস্থিত যোগী কৈৱৰ্ত গাঁৱৰ ১ নং নতুন হৰিমন্দিৰত সোমবাৰে চামগুৰি সত্ৰৰ ধাৰাৰে আধ্যাত্মিক পৰম্পৰাৰে গুৰু আসন প্ৰতিষ্ঠা কৰা হয়। প্ৰাচীন চামগুৰি সত্ৰৰ সত্ৰাধিকাৰে গুৰু আসন ভাগি প্ৰতিষ্ঠা কৰে। ভকত বৈষ্ণৱ, আইমাতৃ সকলোৱে পুৱাৰে পৰা হৰি নামৰ গুণানুকীৰ্তনেৰে এক উৎসৱ মুখৰ পৰিৱেশৰ সৃষ্টি কৰে। নতুন নামঘৰ ভাগীত গাঁৱৰ লগতে অঞ্চলবাসী ৰাইজে বন্তি, ধূপ-ধূনা জ্বলাই সেৱা লয়।

# শুৱালকুছিত শ্ৰীশ্ৰীগণেশ পূজা উদ্‌যাপন

**অনামিকা (সংগীতা)কলিতা, শুৱালকুছিঃ** ওঁ সৰ্ববিঘ্ন বিনাশায় সৰ্বকল্যাণ হেতৱে।/পাৰ্বতী প্ৰিয় পুত্ৰায় গণেশায় নমো নমঃ।। আধ্যাত্মিক ভাবধাৰাই কৰেই সংযমী। শুৱালকুছিৰ অন্তৰ্গত লেখত ল'বলগীয়া ধৰ্মীয় অনুষ্ঠান গণেশ মন্দিৰ প্ৰাঙ্গণত সৰ্বমঙ্গলৰ অৰ্থে প্ৰতি বছৰে প্ৰভু শ্ৰীশ্ৰী গণেশ বাবাৰ পূজা ভাগ আয়োজন কৰি আহিছে। এইবাৰো মাঘ মাহৰ ১৮ আৰু ১৯ তাৰিখে দুদিনীয়া বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত কৰে। অসংখ্য ভক্তৰ সমৱেত হয় এক আধ্যাত্মিক পৰিৱেশে গোটেই ঠাইখনেই পৱিত্ৰ কৰি তোলে। ১৯ তাৰিখে দুপৰীয়া সকলোৰে কাৰণে মাহপ্ৰসাদ ভোগৰ আয়োজন কৰে।

## সম্পাদকলৈ চিঠি

### লখিমপুৰ জিলাৰ নাওবৈচা শিক্ষা খণ্ডৰ অন্তৰ্গত দুই শ্ৰেণীযুক্ত ডিজু চাহ জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়খন ১৯৯৬ চনতে স্থাপিত

প্ৰতি বছৰে এই বিদ্যালয়খনৰ পৰা ২৫০ জনৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হয় আৰু ডিষ্টিংচন, ষ্টাৰ, প্ৰথম বিভাগ, দ্বিতীয় বিভাগেৰে উত্তীৰ্ণ হয়। অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে ভাল ফলাফল দেখুৱাবলৈ সক্ষম হোৱাৰ পাচতো লগতে প্ৰতি বছৰে যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী থকাৰ পাছতো এই বিদ্যালয়খন প্ৰাদেশিকীকৰণৰ বাবে চৰকাৰৰ দৃষ্টিগোচৰ নোহোৱাতো অতি পৰিতাপৰ বিষয়। অতি দুখৰ বিষয় এই বিদ্যালয়খন স্থাপন হোৱা দিন ধৰি আজি পৰ্যন্ত বিনা বেতনে শিক্ষাদান কৰি অহা শিক্ষক বিতুল কুমাৰ হাতী বৰুৱা বৰ্তমান গুৱাহাটীৰ জি এম চি এইচত চিকিৎসাধীন হৈ আছে আৰু তেখেতৰ এখন ভৰি কাটি পেলোৱা হৈছে। তেখেতৰ জীৱনৰ এই দুৰ্যোগৰ সময়ত ডিজু অঞ্চলবাসীয়ে সাধ্যানুসৰি সহায়ৰ হাত আগবঢ়াইছে যদিও সেইয়া তেখেতৰ চিকিৎসাৰ বাবে পৰ্যাপ্ত নহয়। বৰ্তমান এই বিদ্যালয়খনত মুঠ ১২ গৰকী শিক্ষক-শিক্ষয়িত্ৰী আছে আৰু দুয়োটা শ্ৰেণীত মুঠ ৫৬০ জন ছাত্ৰ-ছাত্ৰী আছে। তাৰে ২৬০ জন ছাত্ৰ-ছাত্ৰী ২০২৫ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'ব। এই বিদ্যালয়খন চৰকাৰৰ দৃষ্টিগোচৰ হওক আৰু মানৱ সম্পদ গঢ়া এই শিক্ষকসকলৰ জীৱন ধাৰণৰ প্ৰণালী সুনিশ্চিত কৰাৰ ব্যৱস্থা কৰক মূখ্যমন্ত্ৰী ডাঙৰীয়াই। লগতে এই দুৰ্ভগীয়া শিক্ষকজনৰ জীৱন মৰণৰ যুঁজখনত জয়ী হ'ব পৰাকৈ কিঞ্চিৎ হ'লেও অৰ্থ সাহায্য প্ৰদান কৰক।

**বুলমণি বৰি**, লখিমপুৰ
**ম'বাইল ঃ** ৯৮৬৪৬৮০৪৬৯

অসম চৰকাৰ
ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ

# ৰাজহ আদালতৰ গোচৰ ব্যৱস্থাপনা প্ৰণালী

## ভূমি ৰাজহ সম্পৰ্কীয় আপীল গোচৰ পৰিচালনাৰ ডিজিটেল প্লেটফৰ্ম



এতিয়াৰে পৰা জনসাধাৰণে ৰাজহ আদালতত ভূমি সম্পৰ্কীয় আপীল গোচৰৰ জৰিয়তে সমস্যাসমূহ সমাধানৰ বাবে ডিজিটেল মাধ্যমেৰে আবেদন কৰিব পাৰিব। এনে গোচৰসমূহ সহজে পৰিচালনা কৰাৰ বাবে অসম চৰকাৰে লৈ আহিছে ৰাজহ আদালতৰ গোচৰ ব্যৱস্থাপনা প্ৰণালী নামৰ এক বিশেষ ডিজিটেল প্লেটফৰ্ম

### সুবিধাসমূহ

- ঘৰৰ পৰাই গোচৰ পঞ্জীয়ন আৰু অনুসৰণ
- স্বয়ংক্ৰিয়ভাৱে গোচৰ অনুসূচিতকৰণ আৰু শুনানিৰ জাননী সৃষ্টিকৰণ
- নথি-পত্ৰৰ সংৰক্ষণ আৰু পৰিচালনা
- আদালতৰ ৰায় আৰু আদেশসমূহৰ সংৰক্ষণ
- গোচৰ বিলম্ব, নিষ্পত্তিকে ধৰি মুখ্য বিষয়সমূহৰ সন্দৰ্ভত প্ৰতিবেদন আৰু বিশ্লেষণ

আবেদনৰ বাবে তথা অধিক জানিবলৈ চাওক **rccms.assam.gov.in**

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৰাটছএপ কৰক

Janasanyog RO no 4381/24/14-Feb-25

# পাৰ্থজিৎ বৰুৱাৰ নৱতম গ্ৰন্থ 'এ হিষ্ট্ৰী অৱ ইণ্ডিয়াছ নৰ্থ ইষ্ট চিনেমা' উন্মোচন

**বিশেষ সংবাদদাতা, নগাঁও ঃ** কাহিলীপাৰাৰ জ্যোতি চিত্ৰবনত তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা প্ৰথম গুৱাহাটী এছিয়া চলচ্চিত্ৰ মহোৎসৱত ইংৰাজী ভাষাত লিখা পাৰ্থজিৎ বৰুৱাৰ নৱতম গ্ৰন্থ 'এ হিষ্ট্ৰী অফ ইণ্ডিয়াছ নৰ্থ ইষ্ট চিনেমা' উন্মোচন কৰা হয়। এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত বিয়লি গ্ৰন্থখন উন্মোচন কৰে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন শ্ৰীলংকাৰ চলচ্চিত্ৰ পৰিচালক প্ৰসন্ন ভিথানাগে। গ্ৰন্থখন উন্মোচন কৰি চলচ্চিত্ৰ পৰিচালক ভিথানাগে এই গ্ৰন্থখনে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল চিনেমাৰ ন তথ্যৰে বহু দিশ উন্মোচন কৰিব বুলি আশা প্ৰকাশ কৰি কয় যে গ্ৰন্থখনত উত্তৰ-পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যৰ চলচ্চিত্ৰ ইতিহাসৰ বিষয়ে বিস্তৃত আলোচনা কৰা হৈছে। পাৰ্থজিৎ বৰুৱাই এনেধৰণৰ পঁচিশখন মান গ্ৰন্থ ৰচনা কৰিব বুলি শ্ৰীলংকাৰ চলচ্চিত্ৰ পৰিচালক গৰাকীয়ে মত পোষণ কৰে। এই চলচ্চলচ্চিত্ৰ মহোৎসৱৰ প্ৰতিস্থাপক সঞ্চালক মনিতা বৰগোহাঁয়ে চলচ্চিত্ৰ পৰিচালক তথা লেখক পাৰ্থজিৎ বৰুৱাৰ কাম-কাজক প্ৰশংসা কৰি কয় যে বৰুৱাই ৰচনা কৰা এই গ্ৰন্থখনৰ জৰিয়তে অসম, উত্তৰ-পূৰ্বাঞ্চল আৰু ভাৰতৰ আন প্ৰান্তৰ লোকসকলে আমাৰ এই অঞ্চলসমূহৰ চলচলি ইতিহাসৰ বিষয়ে বিস্তৃতভাৱে জানিব পাৰিব। চলচ্চিত্ৰ সাহিত্যৰ বাবে এই গ্ৰন্থখন আপুৰুগীয়া গ্ৰন্থ বুলিও তেওঁ মন্তব্য কৰে। আনহাতে গ্ৰন্থ উন্মোচনৰ প্ৰাক মুহূৰ্তত লেখক পাৰ্থজিৎ বৰুৱাই নিজৰ অভিমত ব্যক্ত কৰি কয় - এই মুহূৰ্ততো মোৰ বাবে জীৱনৰ দ্বিতীয়টো আৱেগিক আৰু সুখী মুহূৰ্ত। যিহেতু আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন শ্ৰীলংকাৰ চলচ্চিত্ৰ পৰিচালক প্ৰসন্ন ভিথানাগে মোৰ গ্ৰন্থখন উন্মোচন কৰিব। আনহাতে প্ৰখ্যাত চলচ্চিত্ৰ পৰিচালক আদুৰ গোপালকৃষ্ণণ সম্পৰ্কে লিখা তেওঁৰ আন এখন গ্ৰন্থ ২০১৬ চনত কেৰেলাৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত বিশিষ্ট চলচ্চিত্ৰ পৰিচালক শ্যাম বেনেগলে উন্মোচন কৰা মুহূৰ্ততো তেওঁৰ জীৱনৰ প্ৰথম আনন্দৰ মুহূৰ্ত বুলি পৰিচালক বৰুৱাই মন্তব্য কৰে। উল্লেখ্য যে পাৰ্থজিৎ বৰুৱাৰ 'এ হিষ্ট্ৰী অৱ ইণ্ডিয়াছ নৰ্থ ইষ্ট চিনেমা' শীৰ্ষক গ্ৰন্থখন প্ৰকাশ কৰিছে আমেৰিকাৰ ব্লুমছ বেৰী একাডেমীকে। গ্ৰন্থখনত তিনিটা অংশ আছে। প্ৰথম অংশত বলিউডত কিদৰে উত্তৰ-পূৰ্বাঞ্চলক ভুলভাৱে উপস্থাপন কৰিছে সেই বিষয়ে বিশদভাৱে আলোচনা কৰা হৈছে। দ্বিতীয় অংশত অসমীয়া চিনেমাৰ ইতিহাস বিস্তৃতভাৱে আলোচনা কৰাৰ লগতে তৃতীয় অংশত উত্তৰ-পূৰ্বাঞ্চলৰ আন ৰাজ্যসমূহ মনিপুৰ, নাগালেণ্ড, অৰুণাচল প্ৰদেশ, মিজোৰাম, মেঘালয়, ত্ৰিপুৰা আৰু চিকিমৰ চলচ্চিত্ৰ সন্দৰ্ভত আলোচনা কৰা হৈছে। এই গ্ৰন্থখন বৰ্তমান অনলাইন প্লেটফৰ্ম এমাজন. কম আৰু এমাজন. ইনত উপলব্ধ। উল্লেখ্য যে পাৰ্থজিৎ বৰুৱাই লিখা আন গ্ৰন্থসমূহ হৈছে 'ফেচ-টু-ফেচ, দ্যা চিনেমা অৱ আদুৰ গোপালকৃষ্ণণ' (হাৰ্পাৰ কলিন্স), 'জ্যোতিপ্ৰসাদ, জয়মতী, ইন্দ্ৰমালতি এণ্ড বিয়ণ্ড' (ক্ৰান্তিকাল প্ৰকাশন), 'চিনেমাৰ তত্ত্ব' (আলিবাট প্ৰকাশন)। বৰুৱাই ২০২৪ চনত 'নেলীৰ কথা' নামেৰে এখন পূৰ্ণদৈৰ্ঘ্যৰ চিনেমা নিৰ্ম্মাণ কৰি উলিয়ায়। ইয়াৰোপৰি তেওঁ নিৰ্ম্মাণ কৰা তথ্যচিত্ৰসমূহ হৈছে — 'দ্যা ধেমাজি ট্ৰেজেদি', 'ৰীমা পাংগিং', 'লক্ষ্মী উৰাং ঃ ৰাইজিং ফ্ৰম দ্যা গ্ৰেভ', 'নগাঁও ঃ এ লেণ্ড অৱ ডাইভাৰচিটি', 'এন.এফ. ৰেইলওৱে ঃ লাইফলাইন অৱ এন.ই. পিপল', 'ডিনাৰ উইথ বিবেক', 'কিয়াৰ'স্কুৰ', 'ব্ৰেকিং দ্যা চাইলেঞ্চ', 'দ্যা চিলড্ৰেন অৱ গড', 'ইন চাৰ্চ অৱ জ্যোতি ককাইদেউ'।

# নৰ্নে তুলসীমুখত এগৰাকী নৱবিবাহিতা বোৱাৰীৰ ৰহস্যজনক মৃত্যু

## হত্যাৰ সন্দেহ বোৱাৰী গৰাকীৰ পৰিয়ালৰ

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলাৰ নৰ্নে তুলসীমুখত এগৰাকী নৱবিবাহিতা বোৱাৰীৰ ৰহস্যজনক মৃত্যুৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। পুৱা স্বামীগৃহত চিপ লোৱা অৱস্থাত উদ্ধাৰ হৈছে বোৱাৰীগৰাকীৰ মৃতদেহ। মৃত বোৱাৰীগৰাকী কামপুৰ দক্ষিণপাট ভকত গাঁৱৰ অংকিতা বৰা। উল্লেখযোগ্য যে, এবছৰ পূৰ্বে তুলসীমুখ কুৰোৱাবাহীৰ বিশ্বজিত দাস নামৰ এজন যুৱকৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল। স্বামী বিশ্বজিত দাস অসম আৰক্ষী কামাণ্ডো বাহিনীত কৰ্মৰত। অভিযোগ অনুসৰি, প্ৰায়ে পতি-পত্নীৰ মাজত হৈছিল বিবাদ, স্বামীয়ে পত্নীক কৰিছিল মাৰপিট। মৃত অংকিতাক প্ৰতিদিনে মানসিক অত্যাচাৰ চলাই আহিছিল স্বামীৰ পৰিয়ালে, এই অভিযোগ অংকিতাৰ মাতৃ পৰিয়ালৰ। ৬ মাহ পূৰ্বে অংকিতাক পিতৃ-মাতৃয়ে লৈ আহিছিল নিজ গৃহলৈ। পাছত স্বামী বিশ্বজিতে পুনৰ অংকিতাক লৈ যায় স্বামীৰ গৃহলৈ। সোমবাৰে নিশাও অংকিতাৰ ওপৰত স্বামীয়ে চলাইছিল শাৰীৰিক আৰু মানসিক অত্যাচাৰ। অংকিতাই নিশাই সকলো কথা খুলি কৈছিল মাতৃক। মাতৃয়ে বুজনি দি পুৱালৈ অপেক্ষা কৰিব দিছিল অংকিতাক। কিন্তু পুৱা ৰহস্যজনক অৱস্থাত উদ্ধাৰ হয় অংকিতাৰ মৃতদেহ। অংকিতাৰ পৰিয়ালৰ অভিযোগ, এয়া চূড়ান্ত সিদ্ধান্ত নহয়, হত্যা কৰি ওলোমাই ৰখা হৈছে অংকিতাক। ঘটনা সন্দৰ্ভত অংকিতাৰ পিতৃ-মাতৃয়ে এজাহাৰ দাখিল কৰিছে স্বামী বিশ্বজিত আৰু পৰিয়ালৰ বিৰুদ্ধে। ঘটনাস্থলীত নৰ্নে আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰি ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে, সমগ্ৰ ঘটনা আৰক্ষীৰ তদন্তৰ পাছতহে পোহৰলৈ আহিব। মৃত মহিলাগৰাকীৰ স্বামী বিশ্বজিতক ইতিমধ্যে আটক কৰিছে আৰক্ষীয়ে।

# মাজুলীত কিডনী তথা প্ৰস্ৰাৱজনিত সমস্যাৰ বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ সম্পন্ন



**বিকাশ শইকীয়া, মাজুলী ঃ** মাজুলী মীন শিল্প সমবায় সমিতি লিমিটেড আৰু ইষ্টাৰ্ণ ষ্টক্সন এণ্ড কিডনী ফাউণ্ডেশ্যনৰ উদ্যোগত ইনষ্টিটিউট অৱ ইউৰ'লজি এণ্ড কিডনী ডিজিজেছ (আই ইউ কে ডি)ৰ সহযোগত কিডনী তথা প্ৰস্ৰাৱজনিত সমস্যাৰ ৭৮ সংখ্যক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ সম্পন্ন হয়। মাজুলীৰ মহকিনাস্থিত মাজুলী মীন শিল্প সমবায় সমিতি লিমিটেডৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰত মাজুলীৰ ভিন্ন প্ৰান্তৰ প্ৰায় ৬৫০ গৰাকী লোকে স্বাস্থ্য পৰীক্ষা কৰে। স্বাস্থ্য শিবিৰত ভাৰতৰ লেজাৰমেন খ্যাত, মানৱদৰদী বঁটা প্ৰাপ্ত ডাঃ অৰূপ কুমাৰ নাথৰ সৈতে এটি ১৫ জনীয়া চিকিৎসকৰ দলে স্বাস্থ্য সেৱা আগবঢ়ায়।

# দিল্লী বিজেপিৰ দখললৈ যোৱাত হয়বৰগাঁও মণ্ডল বিজেপি কাৰ্য্যালয়ত বিজয়ী উল্লাস উদ্‌যাপন



**বিশেষ সংবাদদাতা, নগাঁও ঃ** সৰ্বভাৰতৰ লগতে অসমতো বিজেপি চৰকাৰে ৰাইজৰ মন জয় কৰিবলৈ সক্ষম হৈছে। ইযাৰ মূলত কাৰণ হৈছে বিজেপি চৰকাৰখনে সমাজলৈ আগবঢ়োৱা পৰিৱৰ্তন। সেয়ে অলপতে ভাৰতৰ ৰাজধানী দিল্লীত ঘোষণা হোৱা নিৰ্বাচনী ফলাফলত তাৰেই এখন বাস্তৱ ছবি দেখিবলৈ পোৱা গৈছে। দিল্লীত বিজেপি চৰকাৰৰ দখললৈ অহাৰ পিছত সমগ্ৰ অসমৰ লগতে নগাঁৱত অৱস্থিত হয়বৰগাঁও মণ্ডল বিজেপি কাৰ্য্যালয়তো উলহ মালহেৰে বিজয়ী দিৱস উদ্‌যাপন কৰা হয়। বিজয়ী দিৱস অনুষ্ঠানৰ লগত সংগতি ৰাখি হয়বৰগাঁও মণ্ডল বিজেপি সভাপতি সুনীল আলমপুৰীয়াই কয়- দিল্লীত বিজেপি জয়ী হোৱাতো আমাৰ দেশৰ জয়। অসমত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু মাননীয় দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নীতি আদৰ্শ আৰু কৰ্মৰাজীৰ ফল আমি লাভ কৰিছো আৰু অনাগত দিনসমূহতো আমাৰ বিজেপি চৰকাৰে বহু উন্নয়নমূলক কাম ৰাইজক উপহাৰ দি যাব বুলি নগাঁওবাসী ৰাইজলৈ এক সু-বাৰ্তা প্ৰেৰণ কৰে। উল্লেখ যে অনুষ্ঠানত ৰাজ্যিক কাৰ্যবাহী সদস্য সঞ্জীৱ বৰা, পৌৰ আয়ুক্ত গজেন বৰা আৰু দ্বীপ লিগিৰা, মহিলা মণ্ডল মৰ্চাৰ সভাপতি পঞ্চী ৰাজখোৱা, জেষ্ঠ সমাজ কৰ্মী সুৰেশ জৈনকে আদি বহু বিজেপি দলীয় নেতা-কৰ্মী উপস্থিত থাকে।

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ত সংবাদমেল

## নগাঁও চহৰত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'ব শিক্ষা মেলা

**বিশেষ সংবাদদাতা, নগাঁও ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ে এখন সংবাদমেলৰ আয়োজন কৰে। ১১ আৰু ১২ ফেব্ৰুৱাৰীত দুদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া নগাঁও চহৰৰ প্ৰথমখন শিক্ষা মেলাৰ সম্পৰ্কত আয়োজিত হোৱা এই সংবাদমেলত অংশগ্ৰহণ কৰে বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড° শৰৎ হাজৰিকা, উপ-পঞ্জীয়ক (শৈক্ষিক) ড° বিচিত্ৰ বিকাশ, উপ পৰীক্ষা নিয়ন্ত্ৰক মানস কপিল পাঠক আৰু SPEAR ৰ সভাপতি জ্যোতিৰ্ময় হাজৰিকাই। ভাষণ আগবঢ়াই বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড° শৰৎ হাজৰিকাই বিশ্ববিদ্যালয়খনে আয়োজন কৰিবলৈ আগবঢ়া শিক্ষা মেলাৰ সম্পৰ্কে বিস্তৃত ব্যাখ্যা আগবঢ়ায়। লগতে ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা আহিবলগীয়া শৈক্ষিক অনুষ্ঠানসমূহ তথা তাৰ বিশিষ্ট ব্যক্তিসকলৰ মাৰ্গদৰ্শনত নৱপ্ৰজন্মই অত্যাধুনিক পাঠ্যক্ৰমৰ বিষয়ে জানিবলৈ সক্ষম হোৱাৰ লগতে কৰ্মমুখী পথ মুকলি কৰিব পাৰিব বুলিও উল্লেখ কৰে। অনুষ্ঠানত এই মেলাত সহযোগ কৰা SPEAR ৰ সভাপতি তথা পি টি আইৰ সাংবাদিক জ্যোতিৰ্ময় হাজৰিকায়ো এই শিক্ষা মেলাৰ গুৰুত্ব সম্পৰ্কে অৱগত কৰে। তেওঁ কয়, নগাঁও চহৰত বিশ্ববিদ্যালয়খনে ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলৰ শিক্ষাৰ্থীসকলৰ ভৱিষ্যতৰ কথা চিন্তা কৰি আয়োজন কৰা এই শিক্ষা মেলাই এক ইতিহাস সৃষ্টি কৰিব। পুৱা ১০ বজাত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক মৃদুল হাজৰিকাই শিক্ষা মেলাখন উন্মোচন কৰিব। তদুপৰি, দুদিনীয়া এই শৈক্ষিক মেলাত তিনিটাকৈ পেনেল ডিচকাচনো অনুষ্ঠিত হ'ব বুলি আয়োজক সমিতিয়ে জনাইছে। তদুপৰি আয়োজক সমিতিয়ে সকলো শিক্ষা প্ৰেমীৰ উপস্থিতি কামনা কৰিছে। Society for Promotion of Education in Assam Region (SPEAR) ৰ সহযোগত আয়োজিত এই দুদিনীয়া মেলাখনৰ মূল উদ্দেশ্য হৈছে নগাঁও আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলসমূহৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক শিক্ষাৰ ক্ষেত্ৰত সজাগ কৰা আৰু উপযুক্ত কেৰিয়াৰ গাইডেন্স প্ৰদান কৰা। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ শিক্ষানুষ্ঠান আৰু বিশ্ববিদ্যালয়সমূহে অংশগ্ৰহণ কৰি বিভিন্ন শৈক্ষিক আৰু পেছাদাৰী পাঠ্যক্ৰমৰ বিষয়ে বিতংভাৱে জনাব এই শিক্ষা মেলাত। এই মেলাখনত অংশগ্ৰহণকাৰীসকলে প্ৰতিনিধিসকলৰ সৈতে পোনপটীয়াকৈ কথা পাতি নিজৰ কেৰিয়াৰ সম্পৰ্কে বহুতো নতুন কথা জানিব পাৰিব, লগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ ন-ন পাঠ্যক্ৰমসমূহৰ বিষয়েও অৱগত হ'ব পাৰিব। শিক্ষাৰ্থী আৰু শিক্ষকসকলক এই মেলাখনত যোগদান কৰি নিজৰ ভৱিষ্যতৰ বাবে সঠিক পথ নিৰ্ধাৰণ কৰিবলৈ উৎসাহিত কৰাই মেলাখনৰ মূল লক্ষ্য বুলি উদ্যোক্তাসকলে জনাইছে।

## কৌতুক

■ **এছ ইছলাম,** শিক্ষক
বৰপেটা

পত্নী ঃ 'হেৰা, বিয়াৰ আগতে তুমি মোক কৈছিলা,
তোমাক ৰাজৰাণী হিচাপে ৰাখিম। এতিয়া দেখোন ঘৰৰ কাম-কাজ সকলো কৰিব লাগে। মই যেন চাকৰিণী।'

পতি ঃ 'অ' নহয় নহয়, তোমাক ৰাজৰাণী হিচাপেই ৰাখিছোঁ। কাৰণ মোৰ আগৰ ঘৈণীয়েকজনীৰ নাম আছিল ৰাজৰাণী।'

# অসমৰ মোহময়ী অভিনেত্ৰী ড° আকাশীতৰাৰ সৈতে এক অন্তৰংগ আলাপ



অসমীয়া চলচ্চিত্ৰ, মঞ্চ ধাৰাবাহিক আদিত বলিষ্ঠ অভিনয় কৰা জনপ্ৰিয় অভিনেত্ৰী ড° আকাশীতৰাৰ সৈতে ম'বাইল ফোন যোগে হোৱা এক অন্তৰংগ আলাপৰ সম্পাদিত ৰূপ পাঠকৰ বাবে আগবঢ়োৱা হ'ল—

**■ অসমৰ অভিনয় জগতলৈ আপোনাৰ প্ৰৱেশ কেনেকৈ হৈছিল?**

**আকাশীতৰা ঃ** মোৰ তিনিবছৰমান বয়সত মোৰ জন্মস্থান শিৱসাগৰত চামেলি মেমচাহাব খ্যাত অভিনেত্ৰী বিনীতা গোহাঁই আমাৰ ঘৰৰ প্ৰতিবেশী আছিল। বিনীতা গোঁহায়ে মোক ৰাসত নাচিবলৈ লৈ গৈছিল। মোৰ ৰাসৰ প্ৰশিক্ষক আছিল মাখন বৰা। প্ৰথম অসমীয়া ছবি আছিল 'কুশল কোঁৱৰ।' পৰিচালনা জাহ্নু বৰুৱাৰ।

**■ অভিনয় জগতলৈ আহোঁতে আপোনাৰ পিতৃ-মাতৃৰ অৰিহণা নিশ্চয় যথেষ্ট আছে। আপোনাৰ পিতৃ-মাতৃৰ বিষয়ে অলপ কওঁকচোন?**

**আকাশীতৰা ঃ** মোৰ দেউতা সাংবাদিক কমলা শইকীয়া। দেউতাই অভিনয়ত মোক উৎসাহ যোগাইছিল। দেউতাই মোৰ লগত শিৱসাগৰৰ নাট্য মন্দিৰৰ গাওঁবুঢ়া, দেউভূত আদি নাটকত মোৰ লগত মঞ্চত অভিনয় কৰিছিল। কটনত পঢ়ি থাকোঁতে মই Best Cottanian আছিলোঁ। কটনত পঢ়ি থাকোঁতে দেউতাই মোক কৈছিল পঢ়াটো কৰি যাবি লগতে Cultural দিশটোত আগুৱাই যাবি। মোৰ মাৰ নাম কমলা বৰুৱা। মা দেউতা দুয়োজনে মোক অভিনয় কৰাত উৎসাহ যোগাইছিল।

**■ সম্প্ৰতি নতুন প্ৰজন্মৰ কোনবোৰ কথাই আপোনাক চিন্তিত কৰে?**

**আকাশীতৰা ঃ** নতুন প্ৰজন্মৰ এটা Social Side ৰ লগতে এটা নতুন প্ৰজন্মই গা কৰি উঠিছে। নতুন প্ৰজন্মৰ অধ্যয়ন শূন্য। আমাৰ দিনত ৰেডিঅ', লাইব্ৰেৰী, বাতৰি কাকত আছিল। এতিয়া Entertainment ৰ অনেক মাধ্যম আছে। নতুন প্ৰজন্মই কিবা এটা বিচাৰিলে তৎক্ষণাৎ Google ত চাই লয়। তেওঁলোকৰ জ্ঞানটো কম। গতিকে এজনৰ আনজনৰ প্ৰতি সমমৰ্মিতাটো নাই। Philosophy টো নাই নীতিগত বস্তু কমি গৈছে। অলপতে মানসিক হতাশাত ভোগে। এইটোৱে মোক চিন্তিত কৰে।

**■ আপোনাৰ অসাধাৰণ অভিনয় প্ৰতিভাৰ বাদে সাহিত্য, সংগীত বা অন্য কোনো বিষয়ত আপোনাৰ ৰুচি আছে নেকি?**

**আকাশীতৰা ঃ** মোৰ ইতিমধ্যে চাৰিখন কিতাপ প্ৰকাশ পাইছে। মই বি. বৰুৱা কলেজৰ প্ৰবক্তা আছিলোঁ। মোৰ 'নিষিদ্ধ' নামৰ এখন উপন্যাস প্ৰকাশ পাইছে। তদুপৰি দ্বিতীয় পৃষ্ঠাৰ সেই প্ৰেম, মোৰ প্ৰিয় পুৰুষ আদি উপন্যাসৰ দ্বাৰা পাঠক সমাজে মোক লেখিকা হিচাপে মূল্যাংকন কৰিছে।

**■ অকল শিক্ষা আৰু সংস্কৃতিয়ে এটা জাতিৰ উত্তৰণৰ একমাত্ৰ পথ বুলি ভাবে নেকি?**

**আকাশীতৰা ঃ** এটা জাতিক বহুত ধৰণৰ সমল লাগে। শিক্ষা আৰু সংস্কৃতিৰ বাদে আপোনাৰ ব্যৱহাৰ, বৈজ্ঞানিক দৃষ্টিভংগী, প্ৰকৃতিৰ লগত সংপৃক্ত হৈ থকা মনোভাৱ, বিভিন্ন আৱিষ্কাৰ, পৰিৱৰ্তনশীল এটা গতিধাৰাৰ লগত খাপ খুৱাই যাব পৰা মনোভাৱ মিলি এটা জাতি গঠন হয়। মই গুৰুত্ব দিও বৈজ্ঞানিক চিন্তাধাৰা। সেইটো লাগিব। অকল শিক্ষা আৰু সংস্কৃতিৰ দ্বাৰা এটা জাতিৰ উত্তৰণ সম্ভৱ নহয়।

**■ প্ৰত্যেকঅভিনেত্ৰীৰএকনিজস্বঅভিনয়ষ্টাইল থাকে। আপোনাৰ অভিনয়ত আপুনি কোনটো ষ্টাইল লক্ষ্য কৰে?**

**আকাশীতৰা ঃ** মই নিজৰ বিষয়ে ক'বলৈ বেয়া হয় (হাঁহি)। মানুহে কয় আকাশীতৰাই বলিষ্ঠ অভিনয় কৰে। শিবানু বৰাৰ 'মিছ মনাখন' এখন মঞ্চ সফল নাটক। য'ত মই চিগাৰেট Hold কৰিব লগা হৈছিল। গতানুগতিকতাৰ পৰা ফালৰি কাটি যেনে বন্ধন, দেউতা দিয়া বিদায়, অনল আদি ছবিত মই Versatile অভিনয় কৰিছোঁ। মই অতি নাটকীয়তাটো বেয়া পাওঁ। মই Casual অভিনয় কৰোঁ। ধাৰাবাহিক কৰ্ণেল বৰুৱা, দীক্ষা, মহাত্মা, লেডী ইন্সপেক্টৰ আদিত বলিষ্ঠ অভিনয় কৰিছোঁ।

**■ অভিনেত্ৰী নোহোৱা হলে কোনটো পেছা বৃত্তি হিচাপে ললেহেঁতেন?**

**আকাশীতৰা ঃ** মই নিলিখিলে থাকিব নোৱাৰোঁ। লেখিকা মই হয়েই। হয়তো মই বৈজ্ঞানিক হ'লোহেঁতেন।

**■ আপোনাক কোনবোৰ কথাই খং তোলাই?**

**আকাশীতৰা ঃ** মই মিছা কথা কোৱা আৰু দুৰ্নীতি বেয়া পাওঁ। মোৰ নীতি নথকা আৰু সাহস নথকা মানুহ দেখিলে খং উঠে।

**■ আপোনাৰ প্ৰিয় খাদ্য?**

**আকাশীতৰা ঃ** মই মচলা কম থকা খাদ্য খাই ভাল পাওঁ। মই নিৰামিষহাৰী। নিৰামিষ খাদ্য খাই ভাল পাওঁ।

**■ আপোনাৰ প্ৰিয় ৰং?**

**আকাশীতৰা ঃ** Brown Colour মোৰ ভাল লাগে। বগা আৰু সেউজীয়া ৰং মোৰ প্ৰিয়।

**■ আপোনাৰ আদৰ্শ ব্যক্তি?**


**আকাশীতৰা ঃ** আদৰ্শ ব্যক্তি বুলি ক'লে মোৰ দেউতা। তেওঁ এজন নীতিত থকা আৰু সাহসী মানুহ।

**■ জীৱন সম্পৰ্কে আপোনাৰ অভিমত?**

**আকাশীতৰা ঃ** জীৱনৰ যথেষ্ট সম্ভাৱনা থাকে। গতিকে মই ভাবো জীৱনৰ সম্ভাৱনাখিনি লৈ দকৈ জীৱন সম্পৰ্কে গতানুগতিকতাৰ পৰা ফালৰি কাটি জীৱন সম্পৰ্কে বিজ্ঞানে যিখিনি দিছে সেই সকলোবিলাক জানিবলৈ চেষ্টা কৰিব পাৰো। মই ভাবো জীৱনৰ সম্ভাৱনা আছে সেইকাৰণে মানুহৰ গুৰুত্ব আছে।

*সাক্ষাৎকাৰ গ্ৰহণ কৰোঁতা*
**কুলদীপ শইকীয়া**
ৰত্নপুৰ, পলিৰোড
(কেন্দ্ৰীয় বিদ্যালয়ৰ সন্মুখত) নগাঁও
ম'বাইল ঃ ৮৪৭৪০৯৩১৬৮

# নগাঁৱৰ চাপানালাৰ চম্পাৱতী জলপ্ৰপাতত মহাকুম্ভমেলাৰ সামৰণি



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ নগাঁও জিলাৰ চাপানালাৰ চম্পাৱতী জলপ্ৰপাতত দুদিনীয়াকৈ অনুষ্ঠিত হোৱা মহাকুম্ভমেলাৰ যোৱা ৫ ফেব্ৰুৱাৰীত সামৰণি পৰে। নগাঁও চহৰৰ পৰা ২৫ কিলোমিটাৰ নিলগত অৱস্থিত চাপানালাৰ চম্পাৱতী জলপ্ৰপাতত অনুষ্ঠিত মহা কুম্ভমেলাত অগণণ ভক্তৰ সমাগম হয় যদিও বিগত বৰ্ষৰ তুলনাত এইবাৰ মেলাত ভক্তৰ উপস্থিতি কম হোৱা দেখা যায়। নগাঁও জিলাৰ পুৰণিগুদামৰ ৰাষ্ট্ৰীয় ঘাইপথ গড়মূৰ তিনিআলিৰ পৰা প্ৰায় পোন্ধৰ কিলোমিটাৰ পূব দিশত অৱস্থিত প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ অঞ্চল চাপানালা। নগাঁও-কাৰ্বিআংলং জিলাৰ সীমান্তৱৰ্তী চোৱাং বনাঞ্চলৰ লেমলেমী নামৰ পাহাৰখনৰ বুকুৰ পৰা শিলৰ ফাঁকেৰে নামি আহিছে উত্তৰ-পূব ভাৰতৰ অন্যতম সৰ্ববৃহৎ জলপ্ৰপাত চম্পাৱতী জলপ্ৰপাতত। অপৰূপ প্ৰাকৃতিক সৌন্দয্যত চহকী উত্তৰ-পূব ভাৰতৰ ভিতৰতে সৰ্ববৃহৎ জলপ্ৰপাত চম্পাৱতীয়ে ইতিমধ্যে দেশ-বিদেশৰ প্ৰকৃতি প্ৰেমীসকলক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। কথিত আছে যে, মাঘ মাহৰ শুক্লা সপ্তমী তিথিত চাপানালাৰ চম্পাৱতী জলপ্ৰপাতত স্নান কৰিলে পূণ্য অৰ্জন হয়। সেইবাবেই প্ৰতিবছৰে মাঘ মাহত সৰস্বতী পূজাৰ পিছদিনা চম্পাৱতী জলপ্ৰপাতত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা অগণন ভক্তৰ সমাৱেশ ঘটিছে। মাঘী সপ্তমী তিথিত চম্পাৱতী কুণ্ডত স্নান কৰিলে ৰোগ-ব্যাধি দূৰ হোৱাৰ লগতে পূণ্য অৰ্জন হয় বুলি জনবিশ্বাসৰ বাবেই এই জলপ্ৰপাতত সেই বিশেষ দিনকেইটাত জনসমুদ্ৰত পৰিণত হয়। মাঘী সপ্তমী তিথিত সকলোৱে মনৰ কামনা পূৰণৰ বাবে চম্পাৱতী জলপ্ৰপাতস্থলীত চাকি-বন্তি জ্বলায়। মহাকুম্ভমেলালৈ ঘৰৰ পৰা আহিব নোৱাৰা লোকৰ বাবে বটল বা তেনেধৰণৰ পাত্ৰত জলপ্ৰপাতৰ পানী নি দিয়াটোও পূণ্য অৰ্জনৰ কাম বুলি জনবিশ্বাস চলি আহিছে। কিংবদন্তী অনুসৰি, মহাভাৰতত বৰ্ণিত হংসধ্বজ ৰজাৰ কন্যা চম্পাৱতীয়ে প্ৰতিবছৰে মাঘ মাহৰ শুক্লা সপ্তমী তিথিত শিৱ আৰাধনা হেতু উক্ত জলপ্ৰপাতত স্নান কৰি শিৱৰ বৰ লাভ কৰি পূণ্য অৰ্জন কৰিছিল। সেইবাবেই এই জলপ্ৰপাতৰ নাম চম্পাৱতী হয় বুলি কিংবদন্তী প্ৰকাশ। মেঘালয়ৰ বিদন-বিছূপ জলপ্ৰপাতকৈও বৃহৎ এই চম্পাৱতী জলপ্ৰপাত লৈ পৰ্যটকৰ আকৰ্ষণৰ বহুগুণে বৃদ্ধি পাইছে। এই জলপ্ৰপাতত আছে এক সুন্দৰ বনভোজ খাব পৰা পৰিৱেশ। জলপ্ৰপাতৰ নামনিত আছে চাহ বাগিছা। ইয়াৰ উপৰিও বনভোজ খাব পৰাকৈ সুকীয়া স্থান থকাৰ বাবে নৱেম্বৰ মাহৰ পৰা মাৰ্চ মাহ পৰ্যন্ত এই জলপ্ৰপাতত অসংখ্য বনভোজ দলে ভিৰ কৰে। চাপানালাৰ চম্পাৱতী কুণ্ড নামেৰে জনাজাত এই জলপ্ৰপাতটো তিনিটা ভাগত বিভক্ত। তল কুণ্ড, মাজ কুণ্ড আৰু ওপৰ কুণ্ড। এই জলপ্ৰপাতটোলৈ উঠা-নমা কৰা চিৰি নথকাৰ বাবে প্ৰকৃত সৌন্দৰ্য উপভোগ কৰাৰ পৰা বঞ্চিত হয় জলপ্ৰপাতলৈ অহা অগণণ লোকৰ লগতে বনভোজৰ দলসমূহ। বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এই জলপ্ৰপাতস্থলীত ক্ষেত্ৰ অধ্যয়নৰ বাবেও আহে। এনেক্ষেত্ৰত ৰাজ্য চৰকাৰৰ পৰ্যটন বিভাগে জলপ্ৰপাতটোলৈ উঠা-নমা কৰাৰ বাবে চিৰিৰ ব্যৱস্থা কৰিলে ছাত্ৰ-ছাত্ৰীৰ লগতে পৰ্যটক আৰু বনভোজ দলসমূহে প্ৰকৃত সৌন্দৰ্য উপভোগ কৰিব পাৰিব।

# বীৰ চিলাৰায় বঁটাপ্ৰাপক সৰ্বেশ্বৰ হাজৰিকাক সম্বৰ্ধনা মাজুলী মহাবিদ্যালয় পৰিয়ালৰ



**বিকাশ শইকীয়া, মাজুলী ঃ** অলপতে অনুষ্ঠিত সদৌ অসম কোচ ৰাজবংশী মাজুলী জিলা ছাত্ৰ সন্থাৰ ষষ্ঠ দ্বিবাৰ্ষিক অধিৱেশনত 'বীৰ চিলাৰায় বঁটা' গ্ৰহণ কৰা মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকাক মাজুলী মহাবিদ্যালয়ৰ তৰফৰ পৰা বিপুলভাৱে সম্বৰ্ধনা জনায়। এই উপলক্ষে মহাবিদ্যালয়খনিত অনুষ্ঠিত এখন সভাত সভাপতিত্ব কৰি অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়- ২০০৩ চনৰ পৰা ২০০৯ চনলৈকে মহাবিদ্যালয়খনৰ অধ্যক্ষৰ দায়িত্ব পালন কৰা সৰ্বেশ্বৰ হাজৰিকাই জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ দ্বাৰা প্ৰৱৰ্তিত 'বীৰ চিলাৰায় বঁটা'ৰ প্ৰথমজন প্ৰাপক হোৱাটোৱে মহাবিদ্যালয় পৰিয়ালক অধিক গৌৰৱান্বিত কৰিছে। অধ্যক্ষ ড° শইকীয়াই লগতে কয়, মাজুলী জিলাত কোচ ৰাজবংশী সন্মিলনীৰ প্ৰতিষ্ঠা কৰি ১৯৭৩ চনৰ পৰা জনগোষ্ঠীটোৰ হকে কৰা ত্যাগৰ স্বীকৃতিস্বৰূপে সৰ্বেশ্বৰ হাজৰিকালৈ আগবঢ়োৱা বঁটাৰ যোগেদি যোগ্যজনক সন্মানিত কৰা হৈছে। সভাত বক্তব্য আগবঢ়াই অৱসৰী অধ্যক্ষ নৰেন চন্দ্ৰ ঠাকুৰীয়া, অৱসৰী অধ্যাপক অমৃতেশ্বৰ চুতীয়া, অজয় প্ৰসাদ সিং, প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, শিক্ষক গোটৰ সম্পাদক তুলসী ৰাজখোৱা আদিয়ে সৰ্বেশ্বৰ হাজৰিকাক আন্তৰিক অভিনন্দন জনায়। অধ্যাপিকা মায়াশ্ৰী ডেকা হাজৰিকা, ড° ৰাজেন বৰা, ড° ব্ৰজেন নেওগ, ইন্দিৰা বড়া, বিপুল ৰাজখোৱা, সুৰেন চন্দ্ৰ দাস, প্ৰণীতা ৰাজখোৱা, অপূৰ্বজ্যোতি হাজৰিকা, ড° দুলাল হাজৰিকা, দেৱজ্যোতি খাটনিয়াৰ, প্ৰণৱজ্যোতি বৰা, ড° দেৱজ্যোতি ভট্টাচাৰ্য, গ্ৰন্থাগাৰিক প্ৰদীপ দাস প্ৰমুখ্যে শতাধিক শিক্ষক-কৰ্মচাৰী উপস্থিত থকা সভাখনিত বঁটাপ্ৰাপক সৰ্বেশ্বৰ হাজৰিকাই সকলোৰে পৰা আশীৰ্বাদ কামনা কৰে।

## খবৰ

**ৰাজেন শৰ্মা**
মনাহকুছি

বহুদিন হ'ল মই লিখিব পৰা নাই
কাৰো খবৰ নাই মই আছো নে নাই
মোক জৰাসন্ধ কৰিলে
দুইফালে দুটা খণ্ড হৈ পৰি আছো
উশাহলৈ আছো
উঠিব নোৱাৰো;
কাঁইটৰ বেৰ
আৰু স্বাৰ্থ-কুটিলতাত বন্দী।
জোন-বেলি-তৰা ওলোৱাটো জানো
কিন্তু পোহৰে ঢুকি নাপায়
বন্দীশালৰ চাদে মোক এন্ধাৰত ৰাখে;
মই ভাল পোৱা নিজৰাটিৰ
কুলু কুলু সুৰটিও শুনা নাই
বন্দীশালৰ মজিয়া নিমাত-নিতাল
হে ভীম মোৰ দুই খণ্ড এক কৰা
মই জী উঠো শস্যৰ পথাৰত।

## মানুহ

**মুকুল জয়ন্ত**

বেফিকিৰ পিকাই দেৱাল
নাকলৈ ৰুমাৰখন
বাট পোনাই
মাছৰ বজাৰ।



## লুকা-ভাকু

**জ্যোতিস্মিতা বৰা (দিব্যাংশ্ৰী)**

(১)
আইতাৰ সতে খেলা লুকা-ভাকু
পাহৰিব পৰা নাই এতিয়াও,
দেউতাৰ ৰঙা চকুকেইটাৰ পৰা ওলাই আহে
জুইৰ ফিৰিঙতি,
'আইতাৰৰ লগত লুকা-ভাকু খেলিছ
পৰিলে কি কৰিবি।

(২)
সেইদিনা ল'ৰাটোক মাতি আনি ক'লো
গৰম বন্ধ যিহেতু
আহ লুকা-ভাকু খেলো।
তাৰ পৰাহে গম পালো
এইবোৰ অদৰকাৰী কাম হেনো।
সি ম'বাইলত খেল এটা দেখুৱাইছিল
মইহে বুজি নাপালোঁ।

(৩)
আই-পিতায়ে তিনি বছৰতে শিকোৱা
স্বৰ বৰ্ণ কেইটা ল'ৰাটোক শিকাব ল'লো
সিহে ক'লে এইয়া সময়ৰ অপব্যয় হেনো
কিবা 'বৰিং' বুলি শব্দ এটাও শুনিলো।

(৪)
শব্দবোৰেও আজিকালি লুকা-ভাকু খেলে
পিছে এবাৰ লুকালে হেৰাই থাকে
সেইদিনা শব্দ এটা ধৰিবলৈ গৈছিলো
উজুটি খাই সৰি পৰিলো,
বৃদ্ধাশ্ৰমৰ দুৱাৰদলিত মুখ থেকেছা খালো

(৫)
ল'ৰাটো প্ৰফেছাৰ হ'ল
লুকা-ভাকু খেলখন শিকোৱাই নহ'ল
জীৱনৰ প্ৰকৃত খেল,
আন্ধাৰ আৰু নিয়তিৰ মেল
**ম'বাইল ঃ** ৮৪৭৪৮-৯৪৫৩৬

## মনে বিচাৰিলেই নহ'ব

**হীৰক কলিতা,** নলবাৰী

মনে বিচাৰিলেই মই
চৰাইৰ দৰে আকাশত
উৰিব নোৱাৰোঁ,
যাৰ নোৱাৰোঁ সাগৰৰ
পাৰত জিৰণি ল'বলৈ,
মনে বিচাৰিলেই মই যাব
নোৱাৰোঁ অচিন ঠাইলৈ।
মনৰ যে নাই শিপা
মনক আকাশলৈ বগাই
নিবলৈ, সেয়েহে মনেও
কেতিয়াবা ভাগৰি পৰে
ব্যৰ্থতাৰ আঘাতত বাৰে
বাৰে মনৰো মৃত্যু হয়।
মনে বিচাৰিলেই নাপায়
সুখ, মনৰ মাজতো লুকাই
থাকে মনৰ অজস্ৰ দুখ।

## জীৱন তেনেকুৱাই

**বিনিময় দাস,**

জীৱন তেনেকুৱাই-
ফৰকাল বতৰত ঘৰৰ পৰা ওলাই
অলপ যোৱাৰ পিছত আহিল
ধাৰাসাৰ বৰষুণ,
ছাতিটো লগত আনিলে ভাল আছিল।
জীৱনে শুনায় অনুশোচনাৰ ধুন।

জীৱন তেনেকুৱাই-
পৰীক্ষাৰ হলত প্ৰশ্নপত্ৰৰ শব্দবোৰে
ইতিকিং কৰি চকুৰ আগত নাচি থাকে,
গোটেই বছৰ কিয় মাৰিছিলো ফাঁকি
মই যেন আনলাকি।
জীৱনে উদাসীনতাৰ ছবি আঁকে।

জীৱন তেনেকুৱাই-
পথাৰৰ মাজেদি বৈ গৈছে দুখৰ নদী,
চকু মুদি চোৱা যদি-
দেখা পাবা তাত আছে এক দুৰ্বল দলং,
চাইন-বৰ্ডত লিখা আছে,
'লাহে লাহে চলাব যান,
কাৰণ হাস্পতাল তিনি কিলোমিটাৰ,
পাঁচ কিলোমিটাৰ শ্মশান।'
জীৱন তেনেকুৱাই-
তথাপি জীৱনে অলসতাক কৰে ঘিণ,
তেওঁৰ জীৱনৰ অধ্যায়বোৰ হয় মলিন।
জীৱনে প্ৰচেষ্টাক কৰে সন্মান,
এন্ধাৰ আঁতৰাই এদিন
তেওঁৰ জীৱনৰ হয় উদয়ৰ পথত অৱস্থান।
জীৱন তেনেকুৱাই।
**ম'বাইল ঃ** ৯৪৩৫৫-৩৭৫৯১

## প্ৰণয়ৰ মাধুৰী

**চিমি চিদ্দিকা,** গোৰেশ্বৰ

আবেলিৰ কিৰণৰ দৰে সঁচা মৰমে
সপোনৰ অসীম মাধুৰী বোৱাই,
প্ৰেমেৰে আঁকে বিৰল হৃদয়ৰ ছবি,
প্ৰেমেৰে জয়ী হয় দুটি মনৰ বান্ধোন।

প্ৰেমৰ সোঁতত নদীয়ে মিচিকিয়াই
আকাশে নীলাখিনি ছটিয়াই
পচোৱা বতাহজাকে মিলনৰ বাণী কৈ যায়,
হৃদয়ৰ ভিতৰত এটি আলোড়ন জগায়।
প্ৰেমৰ অনুৰাগে শান্তিৰ বতৰা আনে
কলিজাৰ কোহে কোহে শিপাই যায়
এটি জীয়া তৰংগ,
এটি সৰ্বশ্ৰেষ্ঠ সুৰৰ সংগ।
প্ৰেম জীৱনৰ সেউজীয়া এটি সপোন
অমৃতভৰা এটি যাত্ৰাৰ সংগী।
অন্ধকাৰ জীৱনটো এটি আলোকৰ বীজ
আলফুলে সামৰি ৰখা এটি বাখৰ।
**ম'বাইল ঃ** ৯৬৭৮৩-৪৩৮৯৮

## নিষিদ্ধ পৃথিৱী

**ৰশ্মি ৰেখা দুৱৰা**
ডিব্ৰুগড়

নাচাওঁ বুলিলেও দেখোঁ
কেউফালে বিষাদগাঁথা
নোচোৱাৰ ভাও ধৰিবও নোৱাৰোঁ
চকু যায় স্বাৰ্থান্বেষী নিষিদ্ধ পৃথিৱীলৈ

ভাবোঁ শিলবোৰ বৰ কঠিন
ভাব-ভংগীৰ আওভাও নোপোৱা
দেখিছোঁ শিলেবোৰেও কান্দি উঠিছে
আছে সিঁহতৰো একোখন হৃদয়

কি দিন, কি ৰাতি,
সকলোতে দেখোন একেই গতি
নাই সুৰক্ষাৰ ৰক্ষাকৱচ
এই সময় নিজক সাহসী কৰাৰ

নিষিদ্ধ পৃথিৱীৰ দুৰ্গন্ধবোৰ
নাকত আহি লাগিছে
কাউৰী, শগুণে উৰা মাৰি আহিছে
নাই? মাংসৰ টুকুৰা
গোন্ধহে বতাহত মলমলাই আছে

নোৱাৰিনে একতাৰ দোলেৰে বান্ধিব
নিষিদ্ধ পৃথিৱীৰ দুৰ্গন্ধ আঁতৰাব;
খিৰিকীৰ ফাঁকেৰে বতাহজাক সোমাইছে
চৌপাশত ধ্বনিত হৈছে একতাৰ সুহুৰি।

## কৃষ্ণপক্ষৰ ৰাতি

**নাজবিন চুলতানা,** বকতা

সিদিনাও আছিল কৃষ্ণপক্ষৰ ৰাতি
গোমা বতৰটোত
উকা মেঘৰ কিছু চমক আছিল,
লেৰেলি পৰা ফুলপাহ
বুটলিব ধৰোঁতে ..

আন্ধাৰৰ ছিদ্ৰ ফালি
কোব পেলাই উফৰাব খুজিছে
ৰশ্মিকল্পৰ আশা।
সিদিনাও আছিল কৃষ্ণপক্ষৰ ৰাতি
ঢেৰেকণিৰ অসহ্যকৰ তাণ্ডৱ,
সিদিনাও হাতৰ মুঠিত থকা

লেৰেলি পৰা ফুলপাহ চেপি
মইও চালো বিজুলিৰ দৃষ্টিত যে
ৰংবোৰ গধুৰ পানীৰেও
ধোৱাই নিব নোৱাৰাকৈ সৃষ্টি হোৱা
নিৰ্ভেজাল।

সিদিনাৰ দৰে আজিও
কৃষ্ণপক্ষৰ ৰাতি
সিদিনাৰ দৰে আজিও
আন্ধাৰৰ ছিদ্ৰাৱৰণত চকুলোবোৰ
বৰষুণৰ টোপালৰ আঁৰত আৱদ্ধ ...
তেনেই সংগোপনে।

# মানুহৰ সমস্যাবোৰ এক প্ৰত্যাহ্বান সময়ে আনে জীৱনৰ

■ **অনামিকা (সংগীতা) কলিতা,** শুৱালকুছি

**তু**মি জীৱনটোক ভালপোৱা তেতিয়া হ'লে সময় হিচাপ কৰি খৰছ কৰিবা কাৰণ জীৱন সময়েৰে গঢ়া ঃ বেঞ্জামিন ফ্ৰেংকলিন। এই বৈজ্ঞানিক জ্ঞানী ব্যক্তি গৰাকীৰ কথাষাৰ অৰ্থপূৰ্ণ । সময় এবিধ ডাঙৰ অস্ত্ৰ। এই সময়ে গতি নিৰ্ধাৰণ কৰে আমাৰ সকলোৰে জীৱনৰ। কাৰণ প্ৰত্যেক গৰাকী ব্যক্তিৰ জীৱনটো সুখ-দুখ নানা সমস্যাৰ দ্বাৰা পৰিপূৰ্ণ। এই সমস্যাবোৰ এক প্ৰত্যাহ্বান হিচাপে লৈ আগুৱাই যাব লাগে। অনুভৱ কৰো এই সমস্যাবোৰৰ পৰা অভিজ্ঞতা হয়। স্কুল-কলেজৰ নিৰ্ধাৰিত পৰীক্ষাবোৰৰ পৰা আনুষ্ঠানিক শিক্ষা লাভ কৰো, সেই পৰীক্ষাবোৰত উত্তীৰ্ণ হ'লে এখন চাৰ্টিফিকেট পাওঁ এয়া এক মাপকাঠি। কিন্তু জীৱনৰ সমস্যাবোৰৰ পৰীক্ষাত উত্তীৰ্ণ হ'লে কোনো চাৰ্টিফিকেট লাভ নকৰো সেয়া অভিজ্ঞতা বাস্তৱ পৰিস্থিতিৰ । এয়া এক অনানুষ্ঠানিক শিক্ষাৰ ভিতৰতে পৰে, জীৱনৰ একোটা ডাঙৰ ধুমুহাৰ দৰে এই সমস্যাবোৰৰ পৰা বহুত অভিজ্ঞতা জ্ঞানৰ সমল লাভ কৰিব পাৰি। এই অভিজ্ঞতাৰ ভিত্তিত ভৱিষ্যতৰ আহিব পৰা সমস্যাসমূহৰ সাহসেৰে মুখামুখি হ'ব পাৰি। বিচলিত নহৈ ধীৰ স্থিৰভাৱে নিজকে সংযম কৰিলে উপায় পোৱা যায়। কাৰণ সমস্যা থাকিলে সমাধানো থাকিব।

**ম'বাইল ঃ** ৭০০২৯-৪২৫৯১

# কামৰূপৰ পছৰীয়া মিলনপুৰত চাৰিচকীয়া বাহন সহ ৬ দুৰ্ধৰ্ষ চোৰক আটক দদৰা আৰক্ষীৰ



**দিলীপ মেধি, শুৱালকুছি ঃ** কামৰূপৰ দদৰা আৰক্ষী চকীৰ অন্তৰ্গত পছৰীয়া মিলনপুৰত ৭ ফেব্ৰুৱাৰীৰ নিশা দদৰা আৰক্ষীয়ে তালাচী চলায় থকাৰ সময়তে এখন চাৰিচকীয়া বাহনত অহা ৬ দুধৰ্ষ চোৰক গাঁওৰক্ষী বাহিনীৰ সহযোগত দদৰা আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ পৰা জানিব পৰা মতে, কামৰূপৰ পছৰীয়া মিলনপুৰত নিশা দদৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰিজুমণি বাংথাইৰ নেতৃত্বত পছৰীয়া মিলপুৰত চ'কত মাজনিশা তালাচী চলাই থকাৰ সময়তে এ এছ ০১ এফ এ ৬৮৭৬ নম্বৰৰ চুইফট বাহনত অহা ৬ জন দুৰ্ধৰ্ষ চোৰক স্থানীয় গাঁওৰক্ষী বাহিনীৰ সহযোগত আটক কৰিবলৈ সক্ষম হয়। আটকধীন চোৰ কেইজন হৈছে ক্ৰমে উচমৎ আলী (২৮), মুছা আলী (১৮), জহৰুদ্দিন আলী (৩০), বক্ৰিকুছি, মুকালমুৱা, ফাৰাজ আলী (২৪) ২ নং ভেলামাৰী, মুকালমুৱা, ৰবিয়াল আলী (৩১) কুৰিয়াহমাৰী, শিয়ালমাৰী, চাহবুল ইছলাম (২৪), বৰ্ণি হাজো। আৰক্ষীয়ে দদৰা লাটৰ চৰকাৰী গাঁও প্ৰধান চন্দ্ৰধৰ দাস আৰু গাঁওৰক্ষী বাহিনীৰ উপস্থিতিত চলোৱা তালাচী অভিযানত চোৰ কেইজনৰ পৰা চুৰি কাৰ্যত ব্যৱহৃত হোৱা দুখন চাৰিচকীয়া বাহনসহ এটা গেছৰ চিলিণ্ডাৰসহ ৰেগুলেটৰ , লোৰ চোকা অস্ত্ৰ, হাতুৰী, চেলাৰ ৰেঞ্জ, তাৰ, এখন বেগ, স্ক্ৰু ড্ৰাইভাৰ, ছয়টা মোবাইল ফোন, এটা টেবলেট, এটা গেছ কাটাৰ আদি বহু চুৰি কাৰ্যত ব্যৱহৃত সামগ্ৰী আৰক্ষীয়ে উদ্ধাৰ কৰে। পিচত আটকধীন চোৰকেইজনক দদৰা আৰক্ষী চকীলৈ আনি আৰক্ষীয়ে জেৰা চলাই তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য, বৃহত্তৰ পূৱ বংশৰ অঞ্চলৰ দদৰা, পছৰীয়া, আজ্ঞাঠুৰি আদি বিভিন্ন অঞ্চলত সঘনাই গৰু চুৰি কাণ্ড সংঘটিত হৈ আহিছে। সেই সময়তে দদৰা আৰক্ষীয়ে নিশা গাঁওৰক্ষী বাহিনীৰ সহযোগত ৬ দুৰ্ধৰ্ষ চোৰক আটক কৰা কাৰ্যক সচেতন ৰাইজে ভুয়সী প্ৰশংসা কৰিছে।

*প্ৰথম পৃষ্ঠাৰ পৰা*

## ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থাৰমান ছানমুগাৰাটনামক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ

ছানমুগাৰাটনামে ২০২২ চনত অসম ভ্ৰমণ কৰিছিল। এডভাণ্টেজ আছাম ২.০ সন্মিলনত সহযোগিতাৰ ক্ষেত্ৰত ছিংগাপুৰে প্ৰদৰ্শন কৰা আগ্ৰহৰ বাবে মুখ্যমন্ত্ৰীয়ে দেশখনৰ ৰাষ্ট্ৰপতি ছানমুগাৰাটনামৰ শলাগ লৈ ছেমিকণ্ডাক্টৰ, সেউজ শক্তি আৰু উন্নত প্ৰযুক্তিৰ দৰে অসমৰ উদীয়মান খণ্ডসমূহত ৰাষ্ট্ৰখনৰ সৈতে সহযোগিতামূলক সম্পৰ্ক সবল কৰাৰ পোষকতা কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই ছিংগাপুৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ভিভিয়ান বালাকৃষ্ণণকো সাক্ষাৎ কৰি ভাৰতৰ এক্ট ইষ্ট নীতিৰ সামগ্ৰিক পৰিকাঠামোৰ অধীনত অসম আৰু ছিংগাপুৰৰ মাজত থকা সহযোগিতা সুদৃঢ় কৰাৰ দিশত বাৰ্তালাপ কৰে। আনহাতে, মুখ্যমন্ত্ৰীয়ে ছিংগাপুৰত সুৰ্বানা জুৰঙৰ মুখ্য কাৰ্যবাহী বিষয়া লো চেৰ একৰ সৈতেও এক ফলপ্ৰসূ বৈঠকত মিলিত হয়। এই বৈঠকত মুখ্যমন্ত্ৰীয়ে সুৰ্বানা জুৰঙৰ মুখ্য কাৰ্যবাহী বিষয়াগৰাকীৰ সৈতে প্ৰতিষ্ঠানটোৰ অসমত থকা প্ৰকল্পসমূহৰ পৰ্যালোচনা কৰে। তদুপৰি, এই বৈঠকত ছিংগাপুৰৰ নগৰ পৰিকল্পনাৰ বিশেষ দক্ষতাৰ জৰিয়তে অসমৰ ভৱিষ্যতৰ চহৰ আৰু ঔদ্যোগিক উদ্যান নিৰ্মাণ আদিৰ দিশত কাম কৰাৰ পোষকতা কৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে ছিংগাপুৰ আই টি ই শিক্ষা সেৱাৰ মুখ্য কাৰ্যবাহী বিষয়া সুৰেশ নটৰাজনৰ সৈতেও এক বিশেষ বৈঠকত মিলিত হয়। এই বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই মন্তব্য কৰে যে কাৰিকৰী শিক্ষা, কৰ্মশক্তিৰ তৎপৰতা আৰু সামাজিক গতিশীলতা উন্নত কৰিবলৈ দক্ষ কৰ্মশক্তিৰ এক বৃহৎ গোট বিকশিত কৰাৰ দিশত প্ৰতিষ্ঠানটোৰ দৃষ্টিভংগী আৰু এই দিশত অসমৰ থকা লক্ষ্য একেধৰণৰ। বৈঠকত মুখ্যমন্ত্ৰীয়ে আগন্তুক সময়ত অসম দক্ষতা বিশ্ববিদ্যালয় আৰু আই টি ই ছিংগাপুৰৰ মাজত ঘনিষ্ঠ সহযোগিতামূলক কৰ্মৰাজি বৃদ্ধি পোৱাৰো আশা ব্যক্ত কৰে। তেওঁ লগতে কয় যে অসমত বিশ্ব দক্ষতা কেন্দ্ৰ স্থাপনৰ অৰ্থে ৰাজ্য চৰকাৰে আই টি ই ছিংগাপুৰৰ পাৰদৰ্শিতাৰ ব্যৱহাৰৰ পথ অন্বেষণ কৰিব। এই ভ্ৰমণকালতে মুখ্যমন্ত্ৰীয়ে আই টি ই ছিংগাপুৰৰ ফেকাল্টিৰ মান, উদ্যোগ কেন্দ্ৰিক এৰ'স্পেচ পৰীক্ষাগাৰ, ইলেকট্ৰ'নিক্স আদি সম্বন্ধেও বুজ লয়। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে ছিংগাপুৰত এ এছ এম পি টি, এ ই এম, বেছি, টেমাছেক, ছিলিকন বক্স, নিট্ৰো ডেনকো কৰ্পৰেশ্যন, হেলাৰ ইণ্ডাষ্ট্ৰিজ আৰু মেনহাৰ্ট গ্ৰুপৰ শীৰ্ষ নেতৃবৰ্গৰ সৈতেও এক ফলপ্ৰসূ বৈঠকত মিলিত হৈ বিভিন্ন খণ্ডৰ লগতে বিশেষকৈ ছেমিকণ্ডাক্টৰ খণ্ডত প্ৰতিষ্ঠানসমূহৰ সহযোগিতাৰ দিশত আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে ছেমিকণ্ডাক্টৰ হৈছে ভাৰত-ছিংগাপুৰৰ পাৰস্পৰিক সহযোগিতাৰ এক গুৰুত্বপূৰ্ণ দিশ। তেওঁ লগতে প্ৰতিষ্ঠানসমূহৰ শীৰ্ষ নেতৃবৰ্গক জাগীৰোডত হ'বলগীয়া ইলেক্ট্ৰনিক চিটীত অসমৰ সৈতে অংশীদাৰ হ'বলৈ আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ জৰিয়তে ৰাজ্য চৰকাৰে অসমক আৰু অধিক গতিশীলতা প্ৰদান কৰিবলৈ প্ৰয়াস কৰিছে। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰে এডভাণ্টেজ আছাম ২.০ সন্মিলনক অসমৰ উন্নয়নৰ গতিধাৰা অধিক বৃদ্ধি কৰিবলৈ এক মঞ্চ হিচাপে ব্যৱহাৰ কৰিছে। এই উদ্দেশ্যে মুখ্যমন্ত্ৰীয়ে ভূটান, দক্ষিণ কোৰিয়া, জাপান, ছিংগাপুৰ আদিৰ দৰে ৰাষ্ট্ৰসমূহৰ সৈতে সংযোগ স্থাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে কাইলৈ অৰ্থাৎ বুধবাৰেও ছিংগাপুৰত থাকি বিভিন্ন কাৰ্যসূচী অব্যাহত ৰাখিব।

## মুম্বাইত কেইবাগৰাকীও উদ্যোগপতিক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ

মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ জৰিয়তে চৰকাৰে উদ্যোগীসকলক উৎসাহিত কৰিবলৈ বিভিন্ন বিত্তীয় আৰু অবিত্তীয় সুবিধা প্ৰদানৰ পদক্ষেপ লৈছে। মুখ্যমন্ত্ৰীয়ে লগতে জে এছ ডব্লিউ গ্ৰুপৰ অধ্যক্ষগৰাকীক অৱগত কৰে যে ৰাজ্য চৰকাৰে আগন্তুক পাঁচ বছৰত পাঁচ হাজাৰ ষ্টাৰ্ট আপক সহায় কৰাৰ লগতে এক লাখ বিনিয়োগ সৃষ্টি কৰাৰ এক লক্ষ্য সন্মুখত ৰাখি আগবাঢ়িছে। সেউজ শক্তি আহৰণৰ দিশত অসমে লোৱা পদক্ষেপৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনত এতিয়া ভাসমান সৌৰ শক্তি প্ৰকল্প, জৈৱ-চিএনজিৰ পৰা সেউজ হাইড্ৰজেনলৈকে বিভিন্ন দিশত বিনিয়োগৰ সুযোগ সৃষ্টি হৈছে। বিনিয়োগকাৰীসকলৰ বাবে এক সুচল নীতি ৰাজ্যখনে প্ৰস্তুত কৰা বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই মুম্বাইত ৰেলস্পন ৱৰ্ল্ডৰ অধ্যক্ষ বি কে গোয়েঙ্কাকো সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে গোয়েঙ্কাৰ সৈতে বস্ত্ৰ, শক্তি, জল পৰিশোধন আৰু আন্তঃগাঁথনি আদি খণ্ডসমূহক লৈ আলোচনা কৰে। ৰেলস্পন ৱৰ্ল্ডৰ অধ্যক্ষগৰাকীক এডভাণ্টেজ আছাম ২.০ সন্মিলনলৈ আমন্ত্ৰণ জনাই প্ৰতিষ্ঠানটোৰ অসমৰ বিভিন্ন খণ্ডত কাম কৰাৰ পৰিকল্পনাসমূহক কাৰ্যৰূপ দিয়াৰ দিশত এই সন্মিলনখন এখন উপযুক্ত মঞ্চ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। মুম্বাই ভ্ৰমণকালতে মুখ্যমন্ত্ৰী ড° শৰ্মাই এছাৰ গ্ৰুপৰ উপাধ্যক্ষ ৰবি ৰুইয়াকো সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে অসমত বৈদ্যুতিক ট্ৰাক নিৰ্মাণ আৰু নবীকৰণযোগ্য শক্তি প্ৰকল্প স্থাপনত প্ৰতিষ্ঠানটোৰ সৈতে সহযোগিতাৰ সম্ভাৱনীয়তাৰ বিষয়ে আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে লগতে এছাৰ গ্ৰুপৰ উপাধ্যক্ষগৰাকীক এডভাণ্টেজ আছাম ২.০ সন্মিলনলৈ আমন্ত্ৰণ জনায়।

# মাজুলী জিলাত জিলা পৰ্যায়ৰ পেলু নিৰ্মূলকৰণ দিৱসৰ শুভাৰম্ভণি

**বিকাশ শইকীয়া, মাজুলী ঃ** ৰাজ্যখনৰ ভিন্ন প্ৰান্তৰ লগতে মাজুলী জিলাতো সোমবাৰে জিলা পৰ্যায়ৰ পেলু নিৰ্মূলকৰণ দিৱসৰ শুভাৰম্ভণি কৰা হয়। মাজুলী জিলাৰ ৰঙাচাহী টনুৰাম নাথ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজন কৰা পেলু নিৰ্মূলকৰণ দিৱস কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ লোকনাথ দেউৰীয়ে। বিদ্যালয়খনিৰ প্ৰধান শিক্ষক ৰবীন কুমাৰ নাথৰ সভাপতিত্বত আৰম্ভ হোৱা সভাখনিত ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱসৰ উদ্দেশ্য সম্পৰ্কে ব্যাখ্যা কৰে জিলা সংবাদ বিশেষজ্ঞা ভবানী গায়নে। উদ্দেশ্য ব্যাখ্যাৰ প্ৰসংগত বিশেষজ্ঞা গৰাকীয়ে কয় - ১ ৰ পৰা ১৯ বছৰ বয়সৰ সকলো শিশুৰে শাৰিৰীক তথা মানসিক সুস্থতা বজাই ৰখাৰ বাবে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বিদ্যালয়ৰ পৰা বাদ পৰা শিশু আৰু অংগনাবাড়ী কেন্দ্ৰত থকা শিশুক পেলু মুক্ত কৰাৰ উদ্দেশ্যৰে ১০ৰ পৰা ১৭ ফেব্ৰুৱাৰীৰ ভিতৰত এলবেন্ডাজল টেবলেট খুওৱা হ'ব। বিদ্যালয়লৈ নোযোৱা বা বিদ্যালয়ৰ পৰা বাদ পৰা শিশুসকলকো স্বাস্থ্য বিভাগৰ তৰফৰ পৰা আশাকৰ্মী সকলৰ দ্বাৰা ঘৰে ঘৰে গৈ এলবেন্ডাজল টেবলেট খুওৱা হ'ব। ডাঃ লোকনাথ দেউৰী, ডাঃ দিগন্ত দত্ত , ডাঃ সৌৰভজ্যোতি গোস্বামীয়ে উন্মোচনী অনুষ্ঠানটিত পেলু কি, কেনেদৰে পেলু হ'ব পাৰে, পেলু নিৰ্মূলকৰণৰ বাবে ল'বলগীয়া সাৱধানতা যেনে শৌচাগাৰ ব্যৱহাৰ কৰা, হাত ধুই খাদ্য গ্ৰহণ কৰা, খালী ভৰিৰে খোজ নকঢ়া, নখ চুটিকৈ কাটি ৰখা, বিশুদ্ধ পানীৰ ব্যৱহাৰ কৰা আদি বিষয় সম্বন্ধে ছাত্ৰ-ছাত্ৰীসকলক সৰল ভাষাৰে বুজাই কয়। ইয়াৰ পিছতেই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পেলু নিৰ্মূলকৰণৰ টেবলেট এলবেন্ডাজল বিতৰণ কৰা হয়। অনুষ্ঠানটিত মাজুলী জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ লোকনাথ দেউৰী, ডাঃ দিগন্ত দত্ত, ডাঃ উদয়ন বৰদলৈ, ডাঃ সৌৰভজ্যোতি গোস্বামী, জিলা সংবাদ বিশেষজ্ঞা, ডিচিঅ', প্ৰধান শিক্ষক ৰবীন নাথ, ৰঙাচাহী ৰাজ্যিক চিকিৎসালয়ৰ সমূহ চিকিৎসা কৰ্মীৰ লগতে আশা কৰ্মী, এ-এন-এম সকলৰ লগতে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।



# মুখ্যমন্ত্ৰীৰ উপস্থিতিত ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে আধ্যাত্মিক গুৰু সদগুৰুৰ মত-বিনিময়




**দিছপুৰ ঃ** আধ্যাত্মিক গুৰু সদগুৰুৱে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত লোকসেৱা ভৱনত ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এক মুকলি মত-বিনিময় অনুষ্ঠানত মিলিত হয়। প্ৰায় এঘণ্টাজোৱা এই অনুষ্ঠানত ব্যক্তিৰ আভ্যন্তৰীণ সুস্থতা আৰু ৰূপান্তৰণ সন্দৰ্ভত সদগুৰুৱে তেওঁৰ দৃষ্টিভংগী দাঙি ধৰি এইসমূহে জনসেৱা প্ৰদানৰ দিশত ৰাজ্যৰ প্ৰশাসনৰ সামগ্ৰিক কৰ্ম-কুশলতাক কিদৰে ইতিবাচকভাৱে প্ৰভাৱিত কৰে তাৰ ওপৰত সম্যক জ্ঞান প্ৰদান কৰে। তদুপৰি তেওঁ সু-প্ৰশাসন নিশ্চিত কৰাৰ দিশত আধ্যাত্মিক চেতনা নিহিত বা প্ৰোথিত কৰাৰ গুৰুত্বৰ বিষয়েও আলোকপাত কৰে। অনুষ্ঠানত উপস্থিত থকা ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলৰ বিভিন্ন প্ৰশ্নৰো উত্তৰ প্ৰদান কৰে আধ্যাত্মিক গুৰুগৰাকীয়ে। স্মৰ্তব্য যে, ৰাজ্য চৰকাৰৰ আমন্ত্ৰণমৰ্মে ২০২২ বৰ্ষৰ ছেপ্তেম্বৰ মাহত সদগুৰুৱে কাজিৰঙাত অনুষ্ঠিত এক তিনিদিনীয়া চিন্তন শিবিৰতো অংশগ্ৰহণ কৰিছিল। ৰাজ্যখনৰ সামগ্ৰিক বিকাশৰ লগতে বিভিন্ন খণ্ডত ৰূপান্তৰৰ যাত্ৰা ত্বৰাণ্বিত কৰাৰ লক্ষ্যৰে কাজিৰঙাত ৰাজ্য চৰকাৰে প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকলৰ বাবে সেই চিন্তন শিবিৰ আয়োজন কৰিছিল। শিবিৰত অংশ লৈ সদগুৰুৱে ৰাজ্যত প্ৰশাসনিক দক্ষতা বৃদ্ধিৰ লগতে প্ৰশাসনিক ব্যৱস্থাৰ মূল অংগ হিচাপে কাৰ্যৰত বিষয়াসকলৰ ব্যক্তিত্বৰ বিকাশ আৰু ৰাজহুৱা সেৱা প্ৰদানৰ দিশত কেনেদৰে যোগাত্মকভাৱে কাৰ্য কৰিব পৰা যায় তাৰ ওপৰত আলোকপাত কৰিছিল। তদুপৰি সেই ভ্ৰমণকালতে সদগুৰুৱে মুখ্যমন্ত্ৰীৰ সৈতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰ্যটকৰ বাবে মুকলি কৰাৰ লগতে কাজিৰঙাৰ মিহিমুখত পূৰ্বে ৰাজ্য চৰকাৰে বন্যপ্ৰাণী সংৰক্ষণৰ অংশ হিচাপে চোৰাং চিকাৰীৰ পৰা উদ্ধাৰ কৰা গঁড়ৰ খৰ্গসমূহ জ্বলোৱাৰ যি কাৰ্যসূচী লৈছিল তাৰ ফলত উৎপন্ন হোৱা ছাইৰে প্ৰস্তুত কৰা তিনিটা গঁড়ৰ মূৰ্তিও তেওঁ মুকলি কৰিছিল। লোকসেৱা ভৱনত অনুষ্ঠিত এই অনুষ্ঠানত মুখ্য সচিব ড° ৰবি কোটা, আৰক্ষী সঞ্চালক প্ৰধান হৰমীত সিঙকে ধৰি প্ৰশাসনৰ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

# পৰিৱৰ্তন

**■ হেৰম্ব নাথ**

মিনতিয়ে হঠাতে শুনিলে, তাইৰ ল'ৰা বসন্তই হেনো একে চুবুৰীৰে নিশিতাক ভাল পায়। লগে লগে মিনতিয়ে লৰা-ঢপৰাকৈ নিশিতাহঁতৰ ঘৰত সোশৰীৰে উপস্থিত হ'ল। কোনো সোধ-পোছ নোহোৱাকৈ এফালৰ পৰা গালি পাৰিবলৈ ধৰিলে- মোৰ এটাই ল'ৰা, নিশিতাই তাক ভাল পাবলৈ সাহস পালে ক'ত? ইফালে মোৰ ল'ৰাৰ দেউতাকে ডাঙৰ চাকৰি কৰে। তোৰ ছোৱালীৰ দেউতাকৰ কি আছে বুলি কৈ নিশিতাৰ মাক বিজয়াক মিনতিয়ে তুচ্ছ-তাচ্ছিল্য কৰিবলৈ ধৰিলে। পানী নসৰকা তুচ্ছ-তাচ্ছিল্য-গালিৰ অন্তত চকুপানী মচি মচি বিজয়াই ক'লে, প্ৰথমে তোৰ ল'ৰাক সাৱধান কৰি দিয়কগৈ তাৰ পিছত সকলো ঠিক হৈ যাব। মই বাৰু মোৰ ছোৱালীক ঠিক কৰিম। সোণৰ পদকসহ পদাৰ্থ বিজ্ঞানৰ স্নাতকোত্তৰ নিশিতাই সকলো গম পায় একে কোবে বসন্তক মনৰ পৰা আঁতৰাই পঠালে। চেলেঞ্জ মুডত তাই নেক্সট পৰীক্ষাৰ বাবে প্ৰস্তুতি চলালে; ৰিজাল্টো ভাল হ'ল, লগে লগে নাকৰ এ++ গ্ৰেড লাভ কৰা কলেজ এখনত সহকাৰী অধ্যাপকৰ চাকৰি পালে। খবৰটো শুনা মাত্ৰকেই মিনতিয়ে পূৰ্বৰ দৰেই আহিল নিশিতাহঁতৰ ঘৰলৈ কিন্তু মুখত এমোকোৰা মিঠা হাঁহি লৈ। অতিথিপৰায়ণ বিজয়াই আথে-বেথে বহিবলৈ দি চিধাই চাহ ঘৰলৈ গ'ল। চতুৰ মিনতিয়ে নিশিতাই বনোৱা চাহ খাম দেই বিজয়া, তই মোৰ লগতে বহচোন কথা আছে। বিজয়াই তাকেই কৰিলে। চকুত চকু থৈ কিনো কথা আছে; ক'চোন পিছে বুলি কাষতে বহিল। মিনতিয়ে লাহেকৈ ক'লে, তোৰ ছোৱালীৰ লগত মোৰ ল'ৰাৰ ভালপোৱা সম্পৰ্কটো চলি থাকক দে। বিজয়াই এখন্তেকো নৰৈ মুখৰ ওপৰতে ক'লে- মোৰ ছোৱালীৰ দেউতাক খেতিয়ক, আনহাতে তোৰ এটাই ল'ৰা যিহেতু আমাৰ দৰে দুখীয়াৰ লগত প্ৰেম-ভালপোৱা সম্পৰ্ক কৰিব লাগে কিয়? বেচেৰী মিনতিয়ে শেনটোৰ দৰে গৈ ফেঁচাটোৰ দৰে উভতি আহিল।

**ম'বাইল ঃ** ৭০০২৭-৯৭৫৪০

জনতাৰ চৰকাৰ | myGov मेरी सरकार

सत्यमेव जयते
অসম চৰকাৰ

## ‘অগণন উজ্জ্বল ডেকা সুপুৰুষ আৰু আশাভৰা দৃষ্টিৰ গাভৰুৰ মুখ’

## নতুন সমাজ এয়া নতুন পুৰুষৰ অসমীক গঢ়িব

# আত্মনিৰ্ভৰ

“মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ যোগেদি অসমত নিবনুৱা সমস্যা হ্ৰাস কৰাৰ উপৰি ঔদ্যোগীকৰণৰ এক বাতাৱৰণ সৃষ্টি কৰিবলৈ চেষ্টা কৰা হৈছে। এই আঁচনিখনৰ দ্বাৰা নৱ প্ৰজন্মক নিজৰ ভৰিত থিয় হ’ব পৰাকৈ আৰ্থিক অনুদান, প্ৰশিক্ষণ আৰু বিপণনৰ সুবিধা প্ৰদান কৰা হ’ব।”

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম




# মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ২.০

১.৬২ লাখ+ উদ্যোগীলৈ
২,০০,০০০/৫,০০,০০০
টকাৰ আৰ্থিক সহায়তা

শুভাশিস্য
৭৫,০০০
যুৱ উদ্যমী

১৫০০+
কোটি টকাৰ
সহায়তা

## আবেদন দাখিলৰ বাবে মুকলি হ’ল প’ৰ্টেল



আবেদন মুকলি
১ ফেব্ৰুৱাৰী ২০২৫

লগ ইন কৰক
cmaaa.assam.gov.in

### আবেদন দাখিলৰ স্তৰসমূহ

- ‘Submit Your Application’ত ক্লিক কৰক
- তথ্য পূৰ কৰক
- প্ৰকল্প প্ৰতিবেদন আপলোড কৰক
- ‘Save & Next’ত ক্লিক কৰক

বিশেষ দ্ৰষ্টব্য ■ শিৰোনামত ব্যৱহৃত দুশাৰী বাক্য ভাৰত ৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ এটি গীতৰ পৰা উদ্ধৃত কৰা হৈছে

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam | dipr.assam.gov.in

Janasanyog RO no 4379/24/14-Feb-25

# ২৫ হাজাৰ নামঘৰ আৰু উপাসনাস্থলীত আৰ্থিক অনুদান দিয়া সন্দৰ্ভত অনুষ্ঠিত সভাত হেমন্ত চৌধুৰী



**দিলীপ মেধি, শুৱালকুছি ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰা অনুসৰি, অসমৰ ২৫ হাজাৰ নামঘৰ আৰু উপসনাস্থলীলৈ কিছু পৰিমানৰ আৰ্থিক অনুদান আগবঢ়োৱা বিষয় সন্দৰ্ভত শুৱালকুছি মণ্ডল বিজেপিৰ কাৰ্যালয়ত এখন সভা অনুষ্ঠিত হয়। উক্ত সভাত উপস্থিত থকা মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীক এখন ফুলাম গামোচাৰে সম্ভাষন জনাই শুৱালকুছি মণ্ডল বিজেপিৰ সভাপতি ধীৰাজ মহন্ত (বুবু)ই। মুখ্যন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া গৰাকীয়ে সভাত উক্ত অনুদানৰ ব্যৱহাৰ সন্দৰ্ভত বিশেষ পৰামৰ্শ আগবঢ়োৱাৰ লগতে মন্দিৰ আৰু উপাসনাস্থলীৰ কি কি কাৰ্যত এই অনুদান ব্যৱহাৰ কৰিব পাৰিব এই সন্দৰ্ভতো বিষদ বিৱৰণ দাঙি ধৰে।

# গুৱাহাটীত নেবকাছৰ উদ্যোগত ৰাষ্ট্ৰীয় বঁটা প্ৰদান অনুষ্ঠান সম্পন্ন

## অনুষ্ঠানত 'বৰলুইত' শীৰ্ষক গ্ৰন্থ উন্মোচন



**চন্দন শৰ্মা, তেজপুৰ ঃ** গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ৰ এলমনাই ভৱনৰ মঞ্চত দেওবাৰে বিপ্লৱী সৈনিক নেতাজী সুভাস চন্দ্ৰ বসুৰ পবিত্ৰ স্মৃতিত নেবকাছৰ তৰফৰ পৰা ৰাষ্ট্ৰীয় বঁটা প্ৰদান অনুষ্ঠানভাগ সম্পন্ন হয়। কাৰ্যসূচী মৰ্মে প্ৰথমে এগছি বন্তি প্ৰজ্বলনৰে শুভাৰম্ভ কৰে। তাৰ পিছত উষানগৰী তেজপুৰৰ তিনিজন বিশিষ্ট ব্যক্তি ক্ৰমে অৰুণ কুমাৰ শৰ্মাক 'কাব্য সূৰুজ', নৱনিতা বৰা হাজৰিকাক 'বিশিষ্ট সমাজসেৱিকা' আৰু প্ৰজ্ঞান ফাউণ্ডেশ্যন অসম (সামাজিক-সাংস্কৃতিক সংস্থা) তৰফৰ পৰা তৃপ্তি তামূলী বৰদলৈক ২০২৫ বৰ্ষৰ 'মানৱ সেৱা বঁটা' প্ৰদান কৰে। ইয়াৰোপৰি অসমৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ৫০ গৰাকী বিশিষ্ট সাহিত্যিক, সমাজসেৱক, ক্ৰীড়াবিদ, ভাওনা শিল্পী, লোকবাদ্যকাৰ, গীতিকাৰৰ লগতে সাংবাদিকক নেবকাছৰ তৰফৰ পৰা ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰে। বঁটাত অসমীয়া জাতিৰ স্বাভিমান ফুলাম গামোচা, স্মাৰক, প্ৰশংসা-পত্ৰ প্ৰদান কৰা হয়। উক্ত বঁটা প্ৰদান অনুষ্ঠানত 'বৰলুইত' শীৰ্ষক গ্ৰন্থ উন্মোচন কৰে। সভাত মুখ্য অতিথি হিচাপে আসন অলংকৃত কৰা অসমীয়া চলচিত্ৰ জগতৰ মঞ্চ সফল কৌতুক অভিনেতা অতুল পাচনিক 'অভিনয় সূৰুয' বঁটা প্ৰদান কৰে। সভাত উদীয়মান শিল্পীসকলৰ দ্বাৰা বিহু, সত্ৰীয়া নৃত্যও পৰিৱেশন কৰে। নেবকাছৰ ৰাষ্ট্ৰীয় বঁটা প্ৰদান অনুষ্ঠানৰ দৰে এনে মহান কাৰ্যসূচীৰ বাবে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, শৈক্ষিক মহলে ভূয়সী প্ৰশংসা কৰে।

# কামৰূপৰ ৰাক্ষসিনী চৰত গৰুচোৰৰ তাণ্ডৱ

## গৃহস্থক আক্ৰমণ কৰি পলাবলৈ লওঁতে ৰাইজে এজনক কাৰায়ত্ত কৰি দিলে উত্তম-মাধ্যম

**দিলীপ মেধি, শুৱালকুছি ঃ** কামৰূপ জিলাৰ শুৱালকুছি থানাৰ অন্তৰ্গত গন্ধমৌৰ ৰাক্ষসিনী চৰৰ চাহেব আলীৰ (৪০) গোহালীৰ পৰা চাৰিজনীয়া গৰুচোৰৰ দল এটাই গৰু নিবলৈ আহি গৃহস্থৰ লোকক প্ৰহাৰ কৰি পলাবলৈ লওঁতেই এজন চোৰ ৰাইজৰ হাতত কাৰায়ত্ত হয়। জানিব পৰামতে যোৱা এক ফ্ৰেব্ৰুৱাৰীৰ নিশা প্ৰায় ৯ বজাত এটা চাৰিজনীয়া গৰু চোৰৰ দলে ৰাক্ষসিনী চৰৰ বাসিন্দা চাহেব আলীৰ গোহালীত গোপনে প্ৰবেশ কৰি গোহালীৰ পৰা দুটা বলধ গৰু আৰু দুজনী গাই গৰু নিবলৈ ওলোৱাৰ সময়তে চাহেব আলীয়ে গম পাই নিজৰ ঘৰৰ পৰা গোহালী লৈ গৈ এজন চোৰক সৱতি ধৰি ভীষণ চিঞৰ মাৰে। কথা বিষম দেখি দুজন চোৰ পলাই পত্ৰং দিয়ে যদিও এজন চোৰে সাৱতি ধৰা চোৰজনক আনিবলৈ এদাল টাঙোনৰে চাহেব আলীক মূৰত কোবাই আহত কৰি পলাবলৈ লওঁতেই চাহেব আলীৰ চিঞৰত তাত গৈ উপস্থিত হোৱা ৰাইজে চোৰজনক কাৰায়ত্ত কৰি উত্তম মাধ্যম দি স্থানীয় গাঁওপ্ৰধানৰ উপস্থিতিত শুৱালকুছিৰ আৰক্ষীক চমজাই দিয়ে। আৰক্ষীয়ে আহত চাহেব আলী আৰু চোৰ গৰাকীক শুৱালকুছি চিকিৎসালয়ত ভৰ্ত্তি কৰায়। প্ৰায় এবছৰে উক্ত চৰৰ পৰা পাইকাৰী হাৰত গৰু চোৰ হৈ থকাৰ ফলত কৃষকসকলে খেতিবাতি কৰাত ভীষণ সমস্যা সন্মুখীন হ'ব লগা হৈছে। এই ক্ষেত্ৰত আৰক্ষীয়ে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত কৃষকসকল ক্ষুদ্ধ হৈ পৰিছে। ৰাইজে আৰক্ষী প্ৰশাসনক এই ক্ষেত্ৰত সহায় কৰিবলৈ আহ্বান জনাইছে।




# নগাঁৱৰ পোতনী সোনাৰী গাঁও পূব নামঘৰত সমূহীয়া বিবাহ সম্পন্ন

## ১২ যোৰা দম্পতীয়ে শ্ৰী মন্ত শংকৰ সংঘৰ বিবাহ বিধি অনুসৰি সম্পূৰ্ণ কৰিলে বিবাহ



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ পোতনী সোনাৰী গাঁও পূব নামঘৰত যোৱা ১০ ফেব্ৰুৱাৰীত অনুষ্ঠিত হয় এক সমূহীয়া বিবাহ অনুষ্ঠান। পোতনী সোনাৰী গাঁও পূব নামঘৰৰ হৰিদাস প্ৰাথমিকৰ সমূহ বাপ, আই-মাতৃ আৰু যুৱক-যুৱতী সকলৰ সহযোগত অনুষ্ঠিত হোৱা এই সমূহীয়া বিবাহ অনুষ্ঠানত ১২ যোৰা দম্পতীয়ে শ্ৰী মন্ত শংকৰ সংঘৰ বিবাহ বিধি অনুসৰি বিবাহ কাৰ্য সম্পূৰ্ণ কৰে। বিবাহ অনুষ্ঠানটিত বিধি পাঠ কৰে নামাচাৰ্য সোমেশ্বৰ হাজৰিকাই। দীৰ্ঘ সময় সংসাৰ কৰা এই দম্পতীসকলে আৰ্থিক অসুবিধাতে হওক অথবা অন্য কাৰণতে হওঁক, বিবাহ কাৰ্যত ধৰ্মীয় নিয়মেৰে বহিব পৰা নাছিল। এইক্ষেত্ৰত নামঘৰ পৰিচালনা সমিতিৰ সভাপতি অনিল হাজৰিকা আৰু সম্পাদক ফুলধৰ হাজৰিকাই বিশেষ উদ্যোগ গ্ৰহণ কৰি স্থানীয় ৰাইজৰ সহযোগত এইসকল দম্পতীক একগোট কৰি সমূহীয়াভাৱে এনেদৰে বিবাহ সম্পূৰ্ণ কৰাত উৎফুল্লিত হৈ পৰিছে দম্পতী সকল। উক্ত বিবাহ অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি পুৱা নামঘৰত বন্তি প্ৰজ্বলন কৰে নামঘৰীয়া বকুল হাজৰিকাই। ইয়াৰ পিছতে আইসকলকৰ দ্বাৰা পানী তোলা, দৰা-কইনাক সমূহীয়া গা-ধোৱা, দুপৰীয়া নাম প্ৰসংগ কৰা হয়। এই বিবাহ অনুষ্ঠানত ক্ৰমে সমাজকৰ্মী থানেশ্বৰ হাজৰিকা, হেম চন্দ্ৰ হাজৰিকা, দেৱ দত্ত হাজৰিকা, উত্তম হাজৰিকা, ধীৰেন হাজৰিকা, অতুল হাজৰিকা, মনি হাজৰিকা, ৰাজেন হাজৰিকা, পংকজ হাজৰিকাকে ধৰি স্থানীয় আই-মাতৃ আৰু যুৱক-যুৱতীসকল উপস্থিত আছিল। বিবাহ অনুষ্ঠানত পাঁচ শতাধিক ৰাইজে অংশগ্ৰহণ কৰে।




স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,
সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা